# গাওঁ ভূমি ব্যৱস্থাপনা আৰু সংৰক্ষণ সমিতি

# (ভি এল এম চি চি)

## দুৰ্যোগ ব্যৱস্থাপনাৰ দিশে সমাজৰ পথ প্ৰদৰ্শক

# আমি আজি ইয়াত কিয় সন্মিলিত হৈছো ?

*আমি আজি ইয়াত সন্মিলিত হৈছো কাৰণ ——*

- আমি এনে এক অঞ্চলত বাস কৰো যি চেইছমিক্ জ'ন পাঁচৰ অন্তৰ্গত; য'ত ভূমিকম্প সংঘটিত হোৱাৰ যথেষ্ট সম্ভাৱনীয়তা আছে ।
- আমাৰ নদীসমূহৰ এনে এক বৃহৎ প্ৰণালী আছে যি প্ৰায় প্ৰতিটো বৰ্ষাকালতে বানপানী প্ৰৱণ হৈ থাকে ।
- অৰ্থনৈতিক উন্নয়নৰ প্ৰক্ৰিয়াৰ সমান্তৰালভাৱে আমাৰ প্ৰাকৃতিক দৃশ্য সলনি হ'বলৈ ধৰিছে ।
- ভূমিৰ চাহিদা বৃদ্ধিৰ লগে লগে মুকলি ঠাইবোৰ হ্ৰাস পাবলৈ ধৰিছে ।
- বৰ্দ্ধিত জনসংখ্যাৰ আন্তঃগাঁথনি তথা অন্যান্য চাহিদাৰ বাবে অধিক সামূহিক ভূমিৰ প্ৰয়োজন হয়, কিন্তু সামূহিক ভূমিৰ উপলব্ধতা হ্ৰাস পাবলৈ ধৰিছে ।
- বনাঞ্চল তথা অন্য ভূমিত থকা সেউজ আচ্ছাদিত অঞ্চল হ্ৰাস পাবলৈ লৈছে ।
- আমাৰ জলাহ ভূমিসমূহ নাইকীয়া হৈ আহিছে ।
- প্ৰচুৰ পৰিমাণে পাহাৰ কটা আৰু সেইবোৰৰ গৰাত গঢ়ি উঠা মানৱ বসবাসৰ ফলস্বৰূপে আমাৰ পাহাৰ / টিলাবোৰ খহিবলৈ তথা ভূমিস্খলন প্ৰৱণ হ'বলৈ ধৰিছে ।
- এই সকলোবোৰ ঘটনাই জলবায়ু পৰিৱৰ্তনৰ সমস্যাটোলৈ অৰিহণা যোগাই আছে ।

# আমি আজি ইয়াত কিয় সন্মিলিত হৈছোঁ?

- অৰ্থনৈতিক উন্নয়ন তথা আধুনিকীকৰণৰ প্ৰক্ৰিয়াই আমাৰ প্ৰাকৃতিক সম্পদসমূহৰ ওপৰত এক বহন কৰিব নোৱাৰা চাপৰ সৃষ্টি কৰিছে ।
- পকী তথা বহু মহলীয় গৃহসমূহৰ নিৰ্মাণ কাৰ্যই ভূমিকম্পৰ দ্বাৰা জীৱন আৰু সম্পত্তিৰ হ'ব পৰা ক্ষতিৰ সম্ভাৱনীয়তা বৃদ্ধি কৰিছে ।
- নদী তথা জলস্ৰোত সমূহৰ প্ৰাকৃতিক গতিপথত গঢ়ি উঠা মানৱ বসতিস্থল আৰু কৃষিয়ে বানপানীৰ ভয়াৱহতা বৃদ্ধি কৰিছে ।
- প্ৰাকৃতিক নলা–নৰ্দমা ব্যৱস্থাৰ ওপৰত গুৰুত্ব আৰোপ নকৰাকৈ ৰাস্তা, ৰেলপথ আদি নিৰ্মাণ কৰাৰ বাবেও বানপানীৰ ভয়াৱহতা বৃদ্ধি পাইছে ।
- বনানীৰ ধ্বংসকৰণৰ ফলত খহি বা বৰষুণৰ পানীত উটি অহা মাটিয়ে নদীবোৰ বাম কৰি তুলিছে তথা ভূমিস্খলনৰ সমস্যাটোত ইন্ধন যোগাইছে ।
- ৰাসায়নিক সাৰ আৰু কীটনাশকৰ বৰ্দ্ধিত ব্যৱহাৰে ভূমিৰ গুণাগুণ হ্ৰাস কৰাৰ লগতে বায়ু প্ৰদূষণ তথা পানী দূষিতকৰণত প্ৰভাৱ পেলাইছে ।

# আমি কিয় ইয়াত সন্মিলিত হৈছো?

- এই আটাইবোৰ কাৰকে দূৰ্যোগৰ আৰম্ভণি অথবা ভয়াৱহতাত বৰঙণি যোগায় ।
- আমাৰ মাজৰ কিছুসংখ্যক লোক এই সমস্যাৰ বাবে প্ৰত্যক্ষভাৱে দায়ী হ'ব পাৰে যদিও আমি সকলোৱে নিৰৱ দৰ্শক হৈ এই সমস্যাসমূহৰ সৃষ্টি অথবা বৃদ্ধিত নিৰৱ অংশীদাৰ হৈ পৰিছো ।
- সেয়েহে কোনো প্ৰাকৃতিক দূৰ্যোগেই সম্পূৰ্ণভাৱে প্ৰাকৃতিক পৰিঘটনা নহয় ।
- এই সকলোবোৰ দূৰ্যোগ প্ৰতিৰোধ কৰাটো সম্ভৱ নহয়, কিন্ত কিছুমান দূৰ্যোগ প্ৰশমন কৰাৰ লগতে সেইবোৰৰ প্ৰভাৱ হ্ৰাস কৰাটো নিশ্চয় সম্ভৱ ।
- যিকোনো সমস্যাৰ প্ৰতি সবাতোকৈ প্ৰভাৱশালী প্ৰতিক্ৰিয়া সেই সমস্যাটো মুখামুখিকৈ সন্মূখীন হোৱা সকলেহে দিব পাৰে ।
- সেয়েহে জনসাধাৰণে নিৰৱ দৰ্শক হৈ থকাৰ পৰিৱৰ্তে প্ৰাকৃতিক দূৰ্যোগৰ প্ৰত্যাহ্বানৰ সৈতে মোকাবিলা কৰাত নেতৃত্ব ল'ব লাগিব ।

# আমি ইয়াত সন্মিলিত হৈছো কাৰণ......

*আমাৰ গাওঁ / সম্প্ৰদায় (Community)ৰ নিৰ্দিষ্ট প্ৰসংগত সমস্যাসমূহ বুজি পাব আৰু আলোচনা কৰিব লাগিব* ——

- প্ৰাকৃতিক সম্পদৰ সংৰক্ষণ কিয় প্ৰয়োজনীয় ?
- দূৰ্যোগ ব্যৱস্থাপনা কৰাটো কিয় প্ৰয়োজনীয় ?
- বিভিন্ন ধৰণৰ প্ৰাকৃতিক আৰু মানৱ সৃষ্ট দূৰ্যোগসমূহে আমাৰ ওপৰত কেনেদৰে প্ৰভাৱ পেলায় আৰু কেনে ধৰণৰ প্ৰত্যাহ্বানৰ সৃষ্টি কৰে ?
- যিকোনো দুৰ্যোগ প্ৰতিৰোধ বা প্ৰশমন কৰিবলৈ, দুৰ্যোগত সঁহাৰি জনাবলৈ অথবা সাহাৰ্য্য আৰু পুনৰ সংস্থাপন প্ৰদান কৰিবলৈ আমি সম্পূৰ্ণৰূপে প্ৰস্তুতনে ?

# আমি ইয়াত সন্মিলিত হৈছো কাৰণ......

- আমাৰ চাৰিওকাষৰ ভূমি, পানী আৰু বায়ু প্ৰদূষণ সম্পৰ্কে আমি সজাগ হয়নে ?
- আমাৰ সমাজৰ সংৰক্ষণ, দুৰ্যোগ প্ৰশমন আদি বিষয়বোৰৰ ক্ষেত্ৰত আমাৰ কৰণীয় সম্পৰ্কে আমি জ্ঞাতনে ?
- আমি সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহৰ যথাসম্ভৱ শ্ৰেষ্ঠ সমাধান বিচাৰি উলিয়াবৰ বাবে আমাৰ ইচ্ছাশক্তিক পুনৰ সংগঠিত, আসক্তিক পুনৰ উজ্জিৱীত আৰু আমাৰ আৱেগিক তথা বোধ শক্তিক পুনৰ সঞ্চাৰিত কৰি তুলিবলৈ আমি আজি ইয়াত গোট খাইছো ।

# দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে সমাজৰ প্ৰাতিষ্ঠানিক দাপোণ হিচাপে ভি এল্ এম্ চি চি

- বহুসময়ত আমি আমাৰ উদ্বেগ আৰু ধাৰণাসমূহ প্ৰকাশ কৰিবলৈ কোনো এটা প্ৰাতিষ্ঠানিক ব্যৱস্থা নথকাৰ ফলত আমি নিৰৱ দৰ্শক হৈ থাকো অথবা এইক্ষেত্ৰত কোনো অৰিহণা আগবঢ়াব নোৱাৰো ।
- দুৰ্যোগ ব্যৱস্থাপনা যিটো স্তৰত সবাতোকৈ গুৰুত্বপূৰ্ণ, সেই স্তৰত জনসাধাৰণক অন্তৰ্ভুক্ত কৰোৱাবলৈ ৰাজ্য চৰকাৰে ভি এল এম চি চি- ক এক প্ৰাতিষ্ঠানিক ব্যৱস্থা হিচাপে গঠন কৰিছে ।
- ইয়াক এনে এক আহিলা হিচাপে গঠন কৰা হৈছে যিয়ে সমাজৰ মাজত তথা সমাজৰ বাহিৰৰ অংশীদাৰসকলৰ সৈতেও আলোচনাৰ পৰিৱেশ গঢ়ি তুলিব ।
- এক উমৈহতীয়া লক্ষ্যত উপনীত হ'বলৈ চৰকাৰ আৰু সমাজৰ সক্ৰিয় সহযোগিতাৰ ক্ষেত্ৰখনৰ একেবাৰে নিম্ন পৰ্যায়ত এই সমিতি গঠন কৰা হৈছে ।

# ভি এল এম চি চি- ৰ ভূমিকা আৰু দায়িত্ব

- সমূহীয়া ভূমি, মুকলি ঠাই, চৰণীয়া পথাৰ, জলাহ ভূমি,পাহাৰ, টিলা আৰু পৰিৱেশ তন্ত্ৰকে ধৰি প্ৰাকৃতিক সম্পদসমূহৰ তত্বাৱধায়ক ।
- গ্ৰাম্য ভূমি বেংক (Village land bank) আৰু গ্ৰাম্য জ্ঞান বেংক(Village knowledge bank)ক অন্তৰ্ভুক্ত কৰি দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে গ্ৰাম্য মাষ্টাৰ প্লেন প্ৰস্ত্ততকৰণ ।
- প্ৰাকৃতিক সম্পদসমূহৰ সংৰক্ষণৰ গুৰুত্ব সম্পৰ্কে সজাগতা সৃষ্টি ।
- দুৰ্যোগসমূহৰ প্ৰভাৱত অৰিহণা যোগোৱা বা সেইবোৰৰ বৃদ্ধি কৰা কাৰকসমূহৰ বিষয়ে সম্যক জ্ঞান বৃদ্ধি ।
- এই কাৰকসমূহৰ মোকাবিলা কৰিবৰ বাবে সমূহীয়া পৰ্যায়ৰ কাম-কাজসমূহত সহমত গঠন ।
- দুৰ্যোগ ব্যৱস্থাপনা সম্পৰ্কীয় বিষয়সমূহৰ বাবে এটা চাপ প্ৰদানকাৰী গোট (Pressure group) ।

# ভূমিকম্পৰ আগতে কৰিবলগীয়া

| *কাৰ্য* | *কি কৰা উচিত* |
|---|---|
| *বিপদসংকুলতাৰ চিনাক্তকৰণ* | • গাওঁসমূহত থকা বিপদসংকুল গৃহবোৰ ।<br>• বিপদসংকুল ৰাজহুৱা ভৱন, বিদ্যালয়, মন্দিৰ, মছজিদ, সমূহীয়া প্ৰেক্ষাগৃহ আদি চিনাক্তকৰণ ।<br>• মথাউৰিৰ দুৰ্বল অংশ, জৰাজীৰ্ণ দলং, ভূমিস্খলনৰ সম্ভাৱনা থকা পথৰ অংশ আদি ।<br>• বিষাক্ত গেছ, বৰ্জিত পনীয়া দ্ৰব্য ব্যৱহাৰ / উৎপাদন কৰা কাৰখানা বা ঔদ্যোগিক প্ৰতিষ্ঠান ।<br>• ভূমিস্খলন প্ৰৱণ অঞ্চল, উষ্চ ক্ষমতা সম্পন্ন বিদ্যুৎ পৰিবাহী তাঁৰ, পুৰণি আৰু দুৰ্বল গছ আদি চিনাক্তকৰণ ।<br>• বৃদ্ধ আৰু ৰুগীয়া, শিশু, বাধাগ্ৰস্ত লোক, শিশু থকা মাতৃ, গৰ্ভৱতী মহিলা আদিৰ দৰে সহজে বিপদৰ কবলত পৰিব পৰা লোকৰ চিনাক্তকৰণ । |

| *কাৰ্য* | *কি কৰা উচিত* |
| --- | --- |
| *সম্পদসমূহৰ চিনাক্তকৰণ* | • আশ্ৰয়স্থল হিচাপে ব্যৱহাৰ কৰিব পৰা সুৰক্ষিত ভৱন আৰু মুকলি স্থান চিনাক্তকৰণ।<br>• চিকিৎসালয়, অগ্নি নিৰ্বাপণ কেন্দ্ৰ, আৰক্ষী থানা, সামৰিক ঘাটি (যদি আছে)আদিৰ বিষয়ে তথ্য উপলব্ধকৰণ ।<br>• বেলছা, কোৰ, লোৰ শিকলি, ৰছী, টৰ্চ লাইচ, বাহন আদিৰ দৰে সন্ধান তথা উদ্ধাৰ কাৰ্যত ব্যৱহৃত হ'ব পৰা সামগ্ৰী সম্পৰ্কে জ্ঞাত থকা ।<br>• পৰিবহনৰ বিকল্প পথ ।<br>• যোগাযোগৰ বিকল্প ব্যৱস্থা ।<br>• আৱৰ্জনা নিষ্কাষণ ,সন্ধান আৰু উদ্ধাৰ অভিযান, গুৰুতৰভাৱে আহত ব্যক্তিক সহায় কৰা তথা জীৱ-জন্তুৰ মৃতদেহ নিষ্কাষণ কৰাৰ প্ৰশিক্ষণ লোৱাৰ বাবে সমাজিক কৰ্মত ইচ্ছুক যুৱকসকলক প্ৰস্তুতকৰণ ।<br>• গাওঁৰ পুৰুষ আৰু মহিলাসকলক প্ৰভাৱিত পৰিয়ালসমূহলৈ মনস্তাত্বিক তথা সামাজিক সহায় আগবঢ়াব পৰাকৈ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা । |

| *কাৰ্য* | *কি কৰা উচিত* |
|---|---|
| *ভূমিকম্পৰ বিপদ-শংকা সম্পৰ্কীয় জ্ঞানৰ বিনিময়* | • বিষয়টো গাওঁ সভাত আলোচনা কৰা ।<br>• বাৰ্তালাপৰ চমু চানেকী (Conversation module)আৰু চমু তথ্য (Information capsule)আদান-প্ৰদান সম্পৰ্কে বিশেষ আলোচনা অনুষ্ঠিত কৰা ।<br>• গুৰুত্বপূৰ্ণ দিৱসসমূহত বিদ্যালয়বোৰত তৰ্ক প্ৰতিযোগিতা, পোষ্টাৰ/পুস্তিকা প্ৰস্তুতিকৰণ প্ৰতিযোগিতা অনুষ্ঠিত কৰা ।<br>• স্কুলীয়া ছাত্ৰ-ছাত্ৰী তথা অন্য লোকসকলক লৈ গাওঁত শোভাযাত্ৰা উলিওৱা ।<br>• যুৱ সংঘ আৰু বিদ্যালয়সমূহক বাটৰ নাট প্ৰদৰ্শন কৰিবলৈ উৎসাহিত কৰা । |

| *কাৰ্য* | *কি কৰা উচিত* |
|---|---|
| *সুৰক্ষিত ভৱন নিৰ্মাণৰ এক পৰিৱেশ গঢ়ি তোলা* | • গাওঁত যিকোনো ৰাজহুৱা ভৱন (বিদ্যালয়, অংগনবাড়ী কেন্দ্ৰ, উপকেন্দ্ৰ, ৰাজহুৱা স্বাস্থ্য কেন্দ্ৰ, পানী যোগান প্ৰকল্প আদি) নিৰ্মাণ হোৱা সময়ত, সেইবোৰ ভূমিকম্প প্ৰতিৰোধী মাপকাঠিৰ ওপৰত আধাৰিত হয় নে নাই, তাক পৰীক্ষা কৰা ।<br>• চাওঁক যাতে বিদ্যালয় আৰু চিকিৎসালয়বোৰত চেলফ, আলমাৰী আদি সুৰক্ষিত স্থানত থোৱা হয় আৰু কৰিড'ৰবোৰ আহ-যাহৰ বাবে মুকলি হৈ থাকে ।<br>• গাওঁ সভাক লিখিতভাৱে ভূমিকম্প প্ৰতিৰোধী ব্যৱস্থা গ্ৰহণ কৰি গৃহ নিৰ্মাণ হোৱাৰ বিষয়ে অৱগত নকৰাকৈ ইন্দিৰা আৱাস যোজনাৰ গৃহসমূহ নিৰ্মাণ নকৰাটো নিশ্চিত কৰা ।<br>• কোনো অসুৰক্ষিত ৰাজহুৱা ভৱন / গৃহ সম্পৰ্কে চক্ৰ বিষয়া আৰু সংশ্লিষ্ট বিভাগীয় কৰ্তৃপক্ষক আনুষ্ঠানিক বিৰোধ জনোৱা ।<br>• যদি কোনো ব্যক্তিয়ে নতুনকৈ পকী ঘৰ সাজি আছে তেন্তে তেওঁক ষ্ট্ৰাকচাৰেল অভিযন্তাৰ দ্বাৰা ঘৰৰ আৰ্হি প্ৰস্তুত / পৰীক্ষা কৰাৰ উপদেশ দিয়ক আৰু লগতে তেওঁ অভিযন্তাগৰাকীৰ নিৰ্দেশ মানিছে নে নাই সেয়া নজৰ ৰাখক । |

| *কাৰ্য* | *কি কৰা উচিত* |
|---|---|
| | • ভূমিকম্প প্ৰতিৰোধী ক্ষমতা পৰীক্ষা নকৰাকৈ ইতিমধ্যে নিৰ্মিত গৃহসমূহত কোনো ধৰণৰ অতিৰিক্ত নিৰ্মাণকাৰ্য নচলাবলৈ সকলোকে উপদেশ দিয়া ।<br>• অসুৰক্ষিত ভৱনসমূহ চিনাক্ত আৰু চিহ্নিত কৰা বিষয়টো গাওঁ সভাৰ সৈতে আলোচনা কৰা ।<br>• মাটিৰ বেৰ বা খেৰৰ ঘৰৰ ক্ষেত্ৰত লোকসকলক পুৰণি হৈ যোৱা খুঁটা আৰু চালখন ধৰি ৰখা কাঠ, বাঁহ আদি সলাবলৈ ক'ব লাগে ।<br>• সুৰক্ষিত গৃহৰ নিয়মাৱলী সম্পৰ্কে অধিক তথ্য আহৰণৰ বাবে গড়কাপ্তানী বিভাগৰ বিষয়াসকলক আমন্ত্ৰণ কৰিব লাগে । |

| কার্য | কি কৰা উচিত |
| --- | --- |
| প্ৰতিগৰাকী লোকে জানিবলগীয়া | আপোনাৰ জ্ঞান আদান–প্ৰদানৰ কাৰ্যসূচীত ব্যক্তিগত সুৰক্ষা সম্পৰ্কে তলত দিয়া কথাখিনি আলোচনা কৰিব ——— <br><br>• মৌলিক নীতিটো মনত ৰাখিবঃ জোৰা লগোৱা, বান্ধি থোৱা আৰু পাহৰি যোৱা<br>• সকলো চেলফ (বস্তু ৰখা থলপা) দেৱালত মজবুতকৈ লগোৱা ।<br>• কাঁচ ভঙাৰ পৰা সুৰক্ষা পাবলৈ শ্বাটাৰ–ছেফ খিৰিকীৰ ব্যৱহাৰ ।<br>• দেৱালত লগোৱা সামগ্ৰী, কিতাপৰ ৰেক আৰু অন্যান্য ওখ আচবাব দেৱালত লগাবলৈ বন্ধনীৰ (brackets) ব্যৱহাৰ ।<br>• ডাঙৰ আৰু গধূৰ বস্তুবোৰ চেলফৰ তলৰ ফালে বা মজিয়াত থ'ব লাগে ভূমিকম্পৰ সময়ত সেইবোৰ তলত পৰি যাব পাৰে আৰু কম দূৰত্বৰ পৰা পৰিলে আঘাতৰ পৰিমাণ কম হয় ।<br>• ডেস্কৰ দৰে আচবাববোৰ বেলেগ সামগ্ৰীৰ সৈতে সংলগ্ন কৰি ৰাখিব পাৰে । |

| *কাৰ্য* | *কি কৰা উচিত* |
|---|---|
| *প্ৰতিগৰাকী লোকে জানিবলগীয়া* | • ওজন থকা বস্তু বা নিম্ন ভৰকেন্দ্ৰৰ বস্তুবোৰ পিচলি পৰাৰ পৰা ৰক্ষা কৰিবলৈ খহটা কঠ (non-slip mats)ব্যৱহাৰ কৰক । উদাহৰণস্বৰূপে- মাছথোৱা পাত্ৰ, ওথ পাত্ৰ, ফুলদানি, মূৰ্ত্তি আদি ।<br>• ওথ ওজন থকা সামগ্ৰী বেৰৰ ওপৰৰ পৰা বাগৰি পৰাৰ পৰা ৰক্ষা কৰিবলৈ নাইলনৰ স্বচ্ছ তাঁৰ ব্যৱহাৰ কৰক ।<br>• মূৰৰ ফালে ঘেৰ থকা গজাল (eye screw) বেৰত মাৰক আৰু বস্তু বা সামগ্ৰীবিধ (যেনে- ওথ পাত্ৰ) সূতাৰে বান্ধক আৰু ইয়াৰ পিছত সূতাডাল ঘেৰ থকা গজালটোত গাঁঠি দিয়ক ।<br>• সহজে ভঙা সামগ্ৰী (বটল, গ্লাচ, চীনা মাটিৰ পাত্ৰ আদি) শলখা থকা বন্ধ আলমাৰিত থওক । ভালদৰে শলখা লগাওক যাতে দৰ্জা খোল খাব নোৱাৰে । |

| *কাৰ্য* | *কি কৰা উচিত* |
|---|---|
| *প্ৰতিগৰাকী লোকে জানিবলগীয়া* | • আ–অলংকাৰ, ক্ষুদ্ৰ মূৰ্তি আৰু কাঁচৰ আচবাব থলপা (shelves) আৰু আচ্ছাদনত ভালদৰে ৰাখিবলৈ চেপেটা গঁজাল / প্লাষ্টিক প’টিং ব্যৱহাৰ কৰক ।<br>• বিচনা, ছোফা আৰু মানুহে বহিব পৰা যিকোনো স্থানৰ পাৰ নিলগতহে ওজন থকা ছবি, লাইটৰ সামগ্ৰী আৰু দাপোণ ওলোমাই থোৱা উচিত ।<br>• ঘৰৰ ছাঁদ বা ভেটিত যদি বৃহৎ ফাঁট আছে তেন্তে সেইবোৰ তৎক্ষণাৎ মেৰামতি কৰা উচিত ।<br>• আপোনাৰ গৃহৰ বিদ্যুৎ প্ৰণালী, বৈদ্যুতিক সৰঞ্জাম আৰু গেছ সংযোগ সঠিক ভাবে আছেনে পৰীক্ষা কৰক । প্ৰয়োজন থাকিলে মেৰামতি কৰাওক । ভূমিকম্পৰ সময়ত ভুলকৈ লগোৱা সংযোগ বা বিদ্যুৎ প্ৰণালীৰ পৰা জুই লাগিব পাৰে ।<br>• উদ্বায়ী (flammable) সামগ্ৰী শলখা থকা আলমাৰীৰ তলৰ থাকত থওক ।<br>• গেছৰ পাইপ আৰু পানীৰ পাইপবোৰ নমনীয়(flexible) হোৱা উচিত । |

| *কাৰ্য* | *কি কৰা উচিত* |
| --- | --- |
| *প্ৰতিগৰাকী লোকে জানিবলগীয়া* | • ওপৰত কোনো বস্তু নথকা মেজ এখন ৰাখিবলৈ নাপাহৰিব । ব্যৱহাৰ কৰাৰ পিছত চুৰী বা কেঁচীৰ দৰে বিপজ্জনক যিকোনো বস্তু মেজখনৰ পৰা আঁতৰাই থওঁক ।<br>• আবদ্ধ হৈ পৰিলে জৰুৰীকালীন হুইচেল ব্যৱহাৰ আৰু /বা তিনিবাৰ টোকৰ (বাৰে বাৰে) মাৰি সংকেত দিবলৈ ঘৰৰ সকলোকে শিকাওঁক ।<br>• ভূমিকম্পৰ পিছত পৰিয়ালৰ লোকসকল একত্ৰিত হোৱাৰ ঠাই বাচি থওঁক । এনে ঠাই অট্টালিকাৰ পৰা দূৰৈত হোৱা উচিত ।<br>• একত্ৰিত হোৱা স্থানলৈ সকলোৱে আহিবলৈ সমৰ্থ ন’হলে আপোনাৰ পৰিয়ালে কি কৰা উচিত সেই সম্পৰ্কে আলোচনা কৰক ।<br>• অন্য ঠাইৰ এজন লোকক চিনাক্ত কৰক যাতে আপোনাৰ পৰিয়ালে সেই ব্যক্তিজনক ফোন কৰিব পাৰে আৰু এজনে আনজনৰ সৈতে সম্পৰ্ক স্থাপন কৰিব পাৰে । |

| কাৰ্য | কি কৰা উচিত |
| --- | --- |
| *প্ৰতিগৰাকী লোকে জানিবলগীয়া* | • ঘৰৰ বৈদ্যুতিক তাঁৰ প্ৰণালীৰ প্ৰধান ছুইচটো সম্পৰ্কে জানি লওক ।<br>• গেছ পাইপলাইনৰ প্ৰধান ছুইচটো সম্পৰ্কে জানি লওক ।<br>• প্ৰাথমিক চিকিৎসা সঁজুলিৰ এটা টোপোলা সহজে পাব পৰাকৈ ঘৰত ৰাখক ।<br>• পোহনীয়া জীৱ-জন্তুবোৰৰ সুৰক্ষাৰ বাবে মুকলি কৰি দিবলৈ নাপাহৰিব ।<br>• ওপৰত উল্লেখিত সকলো দফা সামৰি এক দুৰ্যোগ প্ৰস্ত্ততি পৰিকল্পনা তৈয়াৰ কৰক আৰু নিয়মীয়াকৈ ইয়াক পুনৰায় পৰীক্ষা / অভ্যাস কৰক । |

| কাৰ্য | কি কৰা উচিত |
| --- | --- |
| জৰুৰীকালীন সঁহাৰি সামগ্ৰীৰ টোপোলা সাজু ৰখা | জৰুৰীকালীন সঁহাৰি সামগ্ৰীৰ টোপোলা এটা সাজু ৰাখিব আৰু এই টোপোলাত অন্ততঃ তলত উল্লেখ কৰা বস্তুকেইপদ ৰাখিবঃ<br>• অন্ততঃ তিনিদিন চলিব পৰাকৈ চিৰা, পিঠাগুড়ি, চাটু আদিৰ দৰে খাদ্য (শুকান/ তৎক্ষণাত খাব পৰা)<br>• খোৱা পানীৰ বটল<br>• কেঁচুৱাৰ বাবে শিশুখাদ্য<br>• হুইচেল<br>• বেটাৰী চালিত ৰেডিঅ' আৰু টৰ্চ লাইট<br>• অতিৰিক্ত বেটাৰী<br>• জুইশলা / লাইটাৰ আৰু মমবাতি<br>• সৰু চুৰী<br>• নাইলনৰ ৰছী<br>• প্ৰাথমিক চিকিৎসা সঁজুলি ( তুলা, পৰিস্কাৰ কাপোৰ, বেণ্ডেজ, এন্টিচেপ্তিক ক্ৰীম, কেঁচী, অ' আৰ এচৰ পেকেট আদি) |

| কার্য | কি কৰা উচিত |
| --- | --- |
| প্ৰতিগৰাকী লোকে জানিবলগীয়া | ✓ পৰিয়ালৰ কোনো সদস্যক যদি প্ৰয়োজন থাকে তেনেহ’লে প্ৰেচক্ৰিপচনত উল্লেখ থকা ঔষধ ।<br>✓ অতিৰিক্ত চশমা<br>✓ প্ৰতিগৰাকী সদস্যৰ বাবে এযোৰকৈ কাপোৰ<br>✓ স্বাস্থ্য আৰু পৰিস্কাৰ পৰিষ্ছন্নতাৰ বাবে চাবোন তথা ব্যক্তিগত পৰিস্কাৰ পৰিষ্ছনতাৰ সামগ্ৰী<br>✓ প্লাষ্টিকৰ সৰু মোনাত দৰকাৰী নথিপত্ৰৰ ফটোষ্টেট কপি<br>✓ দৰকাৰী ফোন নম্বৰ (যেনে- আৰক্ষী চকী, চিকিৎসালয়, চক্ৰবিষয়া, বিডিঅ’ আদিৰ)<br>✓ আচবাব (প্লেট ২ খন, গিলাচ ২ টা, খোৱাবস্ত খোৱা বাটি ২ টা আদি ) |

| *কাৰ্য* | *কি কৰা উচিত* |
|---|---|
| প্ৰতিগৰাকী লোকে জানিবলগীয়া | ✓ পলিথিনৰ আচ্ছাদন (৬ ফুট × ৬ ফুট – ২ খন)<br>✓ শীতকালত কম্বল (এখন বা দুখন)<br>✓ টোকাঃ<br>✓ এই সকলোবোৰ সামগ্ৰী ঢাকনি থকা ১৫ লিটাৰৰ বাকেট/পাত্ৰত ৰাখিব পাৰি । এই বাকেট/ পাত্ৰ বস্তু কঢ়িওৱা/পানী জমা কৰাৰ বাবে ব্যৱহাৰ কৰিব পৰা যায় ।<br>✓ পৰিয়ালৰ সকলো সদস্যক এই বিষয়ে অৱগত কৰিব লাগে ।<br>✓ জৰুৰীকালীন টোপোলাৰ সামগ্ৰীবোৰ নিৰ্দষ্ট সময়ৰ মূৰে মূৰে পৰীক্ষা / সলনি কৰা উচিত । |

| *কাৰ্য* | *কি কৰা উচিত* |
| --- | --- |
| সমাজৰ হৈ মাত দিয়ক | • চক্র বিষয়াজন হৈছে ভি এল এম চি চি য়ে যোগাযোগ কৰিবলগা প্ৰথম গৰাকী ব্যক্তি আৰু সকলো সিদ্ধান্ত তেওঁলৈ প্ৰেৰণ কৰা উচিত ।<br>• প্ৰস্তাৱ প্ৰেৰণ নতুবা প্ৰতিনিধিক গাঁৱলৈ আমন্ত্ৰণ কৰি নিম্নোক্ত বিষয়বোৰ চৰকাৰী বিভাগসমূহৰ দৃষ্টিগোচৰ কৰকঃ<br>⇒ দুৰ্বল আৰু বিপদজনক ৰাজহুৱা ভৱন – সংশ্লিষ্ট বিভাগ অনুযায়ী<br>⇒ দুৰ্বল মথাউৰি – ই.ই. (E.E.), জলসম্পদ(WRD).<br>⇒ দুৰ্বল দলং আৰু ভূমিস্খলন প্ৰৱণ পথৰ অংশ - গড়কাপ্তানী(R). |

| কাৰ্য | কেনেকৈ আৰু কেতিয়া কৰা উচিত |
|---|---|
| সমাজৰ হৈ মাত দিয়ক | ⇒ পাহাৰৰ ভাৰসাম্যহীন ঢাল আৰু পাহাৰ কটা, শিল কটা বা খনন – উপায়ুক্ত / মহকুমাধিপতি (চি)/ ডি এফ্ অ’ (T).<br>⇒ মূৰত আঘাত পোৱা, হাড়ভঙাৰ চিকিৎসা ব্যৱস্থা, এম্বুলেঞ্চৰ উপলব্ধতা, ষ্ট্ৰেচাৰ আদি – SDMHO / দায়িত্ববাহী, পি এইচ চি ।<br>⇒ বসবাস কৰা ঠাইত ওপৰত থকা বা ভূমিস্খলনৰ কবলত পৰাৰ সম্ভাৱনা থকা বিদ্যুতৰ হালি পৰা খুঁটা / বিদ্যুৎ পৰিবাহী তাঁৰ – ই.ই. (E.E.), শক্তি বিভাগ ।<br>⇒ বিষাক্ত গেছ নিৰ্গমণ বা বৰ্জিত দ্ৰব্য নিঃসাৰণ সন্দৰ্ভত ঔদ্যোগিক প্ৰতিষ্ঠানে লোৱা সুৰক্ষামূলক ব্যৱস্থা ।<br>⇒ কৌতূহল সৃষ্টিকাৰী জটিল বিষয় সন্দৰ্ভত তথ্য লাভৰ বাবে তথ্য জনাৰ অধিকাৰ আইন ব্যৱহাৰ কৰিবলৈ শিকক । |

# যেতিয়া ভূমিকম্প আহে

| কাৰ্য | কি কৰা উচিত |
| --- | --- |
| প্ৰতিগৰাকী লোকে জানিবলগীয়া | ⇒কেতিয়াও লিফট / এলিভেটৰ ব্যৱহাৰ নকৰিব ।<br>⇒আপুনি যদি কেচা ঘৰত বাস কৰে তেন্তে গছ, বিদ্যুৎ অথবা টেলিফোন তাঁৰ নথকা মুকলি ঠাইলৈ যোৱাটোৱেই হ'ব উত্তম কাম ।<br>⇒কম্পনৰ সময়তঃ ——<br>উৎকণ্ঠিত নহ'ব ।<br>যদি ঘৰৰ ভিতৰত আছেঃ<br>⇒ভিতৰতে থাককঃ "বহক, ঢাকক আৰু ধৰক" । মজবুত আচবাবৰ তলত সোমাই পৰক । যিমান দূৰ সম্ভৱ নিজৰ মূৰ আৰু দেহৰ ওপৰভাগ ঢাকি ধৰক । আচবাবত ধৰি থাকক ।<br>⇒আপুনি যদি মজবুত আচবাবৰ তলত সোমাব নোৱাৰে তেন্তে ঘৰৰ ভিতৰফালৰ বেৰ নতুবা ধেনুভেৰীয়া অংশ থকা ঠাইলৈ যাওক । বুকুৰ ওচৰলৈ আঁঠু দুটা আনি বহি পৰক তথা মূৰটো ঢাকি লওক ।<br>⇒খিৰিকী, আয়না, কিতাপ থোৱা বাকচ আৰু আন অসুৰক্ষিত ওজন থকা বস্তুৰ পৰা আঁতৰলৈ যাওঁক ।<br>⇒আপুনি যদি বিচনাত আছে, তেন্তে বিচনাতে থাকক আৰু গাৰু তথা কম্বলেৰে নিজকে ঢাকক । |

| কাৰ্য | কেনেকৈ আৰু কেতিয়া কৰিব লাগিব |
|---|---|
| প্ৰতিগৰাকী লোকে জানিবলগীয়া | যদি বাহিৰত আছে<br>⇒ অট্টালিকা, ৰাস্তাৰ লাইট আৰু তাঁৰৰ পৰা আঁতৰত মুকলি ঠাইলৈ যাওঁক আৰু কম্পন নকমালৈ তাতে থাকক ।<br>⇒ সোলোক-ঢোলোক বা সংযোগ ঢিলা হৈ থকা বৈদ্যুতিক তাঁৰ থকা অঞ্চললৈ নাযাব আৰু এনে উপযোগ (utility) তাঁৰত লাগি থকা ধাতুৰ বস্তু নুচুব ।<br>⇒ ভূমিকম্পৰ বাবে ভূমিস্খলন হ'ব পাৰে, সেয়ে ভূমিকম্প অহাৰ পিছত পাহাৰ-পৰ্বতৰ পাদদেশলৈ নাযাব ।<br>যদি চলি থকা বাহনৰ ভিতৰত থাকেঃ<br>⇒ যিকোনো গাঁথনি বিশেষকৈ দলং, উৰণীয়া সেঁতু, সুৰংগ, ওপৰেৰে যোৱা বিদ্যুৎ পৰিবাহী তাঁৰ আদিৰ পৰা নিলগত কোনো মুকলি ঠাইত ৰওক ।<br>⇒ দলং বা এঢলীয়া আৰোহণ পথেৰে (Ramp) নাযাব, কিয়নো এইবোৰ ভূমিকম্পৰ ফলত ক্ষতিগ্ৰস্থ হ'ব পাৰে । |

| কাৰ্য | কেনেকৈ আৰু কেতিয়া কৰিব লাগিব |
|---|---|
| প্ৰতিগৰাকী লোকে জানিবলগীয়া | কম্পনৰ পিছতঃ<br>✓ পিছৰ জোকাৰণিৰ (aftershocks) বাবে সাজু হৈ থাকক। প্ৰাবল্য কম হ'লেও ভূমিকম্প হৈ যোৱাৰ পিছত হোৱা জোকাৰণিয়েও অতিৰিক্ত ক্ষয়-ক্ষতি কৰে আৰু দুৰ্বল কোনো গাঁথনি খহাব পাৰে।<br>✓ আপুনি যদি ধ্বংসাৱশেষ বা ভগ্নস্তুপৰ মাজত আৱদ্ধ হৈ পৰে তেন্তে উদ্ধাৰকাৰী দলে শুনাকৈ চিঞৰক।<br>✓ প্ৰথমে নিজৰ সুৰক্ষা সুনিশ্চিত কৰক আৰু তাৰ পিছত আঘাতপ্ৰাপ্ত বা আবদ্ধ লোকক সহায় কৰক।<br>✓ শেহতীয়া জৰুৰীকালীন তথ্যৰ বাবে ৰেডিঅ' শুনক।<br>✓ ক্ষতিগ্ৰস্থ অট্টালিকা / ঘৰৰ পৰা আঁতৰত থাকক।<br>✓ কৰ্তৃপক্ষই নিৰাপদ বুলি মত দিয়াৰ পিছতহে ঘৰলৈ ঘূৰি আহিব।<br>✓ জৰুৰী বা দৰকাৰী বাৰ্তাৰ বাবেহে টেলিফোন ব্যৱহাৰ কৰিব। |

| কাৰ্য | কেনেকৈ আৰু কেতিয়া কৰিব লাগিব |
|---|---|
| তাৎক্ষণিক সঁহাৰিৰ পৰিকল্পনা আৰু কাৰ্য্যকৰীকৰণ | ✱ ভয় নকৰিব বা নিৰুৎসাহিত নহ'ব,পৰিস্থিতি অধিক বেয়া হ'বও পাৰে ।<br>✱ ঘটনাৱলীসম্পৰ্কত প্ৰত্যক্ষ অভিজ্ঞতা অৱগত কৰাৰ বাবে DEOC বা SEOC ক তাৎক্ষণিকভাৱে যোগাযোগ কৰাৰ চেষ্টা কৰক ।<br>✱ লেণ্ডলাইন বা মোবাইল ফোনে কাম নকৰিবও পাৰে । ওচৰৰ HF/VHF সুবিধা থকা ঠাইলৈ কাৰোবাক প্ৰেৰণ কৰি তথ্য অৱগত কৰক । এনে ঠাই ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় নতুবা আৰক্ষী থানাও হ'ব পাৰে ।<br>✱ বাহিৰৰ পৰা সঁহাৰি অহাত বিলম্ব ঘটিলে হতাশ নহ'ব বা ভাগি নপৰিব । বহুতক তাতকৈ অধিক সহায়ৰ প্ৰয়োজন হ'ব পাৰে ।<br>✱ সন্ধান আৰু উদ্ধাৰ অভিযানত বিশৃংখল আৰু বিভ্ৰান্তি এৰাই চলাৰ প্ৰয়োজন ।<br>✱ প্ৰশিক্ষণপ্ৰাপ্ত লোকৰ দ্ৰুত সঁহাৰি গোটবোৰক (Quick Action Teams) সাজু কৰক আৰু এনে গোটক সন্ধান আৰু উদ্ধাৰ অভিযানৰ বাবে দায়িত্বপ্ৰাপ্ত অঞ্চল ভগাই দিয়ক । |

| কাৰ্য | কেনেকৈ আৰু কেতিয়া কৰিব লাগিব |
|---|---|
| তাৎক্ষণিক সঁহাৰিৰ পৰিকল্পনা আৰু কাৰ্য্যকৰীকৰণ | —— দ্ৰুত সঞ্চৰণ গোটবোৰক কাৰ্যকুশলতা অনুযায়ী নিয়োগ কৰা উচিত ।<br>✱ আবদ্ধ হৈ থকা ব্যক্তিক সহায়ৰ ক্ষেত্ৰত যিবোৰ ঘটনাত উদ্ধাৰৰ আশা বেছি তেনে অভিযান প্ৰথমে আৰম্ভ কৰিব লাগে ।<br>✱ আঘাতপ্ৰাপ্ত সকলক নিৰাপদ ঠাইলৈ নিয়া ।<br>✱ বৃদ্ধ আৰু দুৰ্বল, শাৰীৰিকভাৱে অক্ষম, গৰ্ভৱতী আৰু কেঁচুৱা থকা মহিলা আদিৰ দৰে সহায়ৰ প্ৰয়োজন থকা লোকক নিৰাপদ ঠাইলৈ নিয়া ।<br>✱ প্ৰাথমিক চিকিৎসা প্ৰদান<br>✱ খোৱাপানী আৰু অন্যান্য দৰকাৰী সামগ্ৰীৰ ব্যৱস্থাৰে অস্থায়ী আশ্ৰয়স্থলী স্থাপন<br>✱ যোগাযোগৰ ব্যৱস্থা পুনৰ আৰম্ভ কৰাৰ বাবে পথত পৰি থকা গছ, ভগ্নস্তুপ, বিদ্যুতৰ খুঁটা আদি আঁতৰ কৰা ।<br>✱ গভীৰভাৱে আঘাতপ্ৰাপ্ত সকলক ওচৰৰ চিকিৎসালয়/ স্বাস্থ্যকেন্দ্ৰলৈ নিয়া ।<br>➔ মানুহৰ সংখ্যা ততাতৈয়াকৈ গণক আৰু হেৰোৱা সকলৰ তালিকা প্ৰস্তুত কৰক ।<br>➔ DEOC, SEOC ৰ জৰিয়তে আৰু অন্যান্য জৰুৰীকালীন সাহায্য নম্বৰৰ দ্বাৰা কৰ্তৃপক্ষৰ সৈতে সংযোগ অব্যাহত ৰাখক । |

| কাৰ্য | কেনেকৈ আৰু কেতিয়া কৰিব লাগিব |
|---|---|
| আবদ্ধসকলৰ ওচৰলৈ যাবলৈ ভগ্নাৱশেষ পৰিস্কাৰকৰণ | ✱ আবদ্ধ হৈ পৰা লোকসকলে যাতে অধিক আঘাত নাপায় তাৰ বাবে ভগ্নাৱশেষ সাৱধানতাৰে আঁতৰ কৰক ।<br>✱ ভগ্নাৱশেষ আঁতৰ কৰা কাম চলি থকা সময়ত আবদ্ধ হৈ থকা লোকসকলক আশা আৰু ভৰসা প্ৰদান কৰাটো প্ৰয়োজনীয় ।<br>✱ সন্ধান আৰু উদ্ধাৰ অভিযানৰ সা-সঁজুলি আৰু দল সাজু কৰাত সহায় কৰিবলৈ এছ ডি আৰ এফ(SDRF) আৰু গড়কাপ্তানী (বি) বিভাগৰ বিষয়াক ক্ষয়-ক্ষতিৰ মূল্যায়ণৰ সঠিক তথ্য যোগান ধৰক । বাধাৰ সৃষ্টি কৰি থকা গছ-গছনি উপলব্ধ সঁজুলিৰে কাটি যথাসম্ভৱ আঁতৰ কৰক ।<br>✱ সন্ধান আৰু উদ্ধাৰ অভিযানৰ দললৈ সহযোগিতা আগবঢ়াওক আৰু জগৰ ধৰা বা নেতিবাচক সমালোচনাত লিপ্ত হোৱাৰ পৰা বিৰত থাকক । |

# বানপানীৰ বাবে প্ৰস্তুতি

# VLMCC এ কি কৰা উচিত

- দুৰ্যোগৰ সময়ত ৰাজহুৱা পৰ্যায়ত আৰু চৰকাৰী সংস্থাসমূহৰ দ্বাৰা সঁহাৰি দিয়াৰ ক্ষেত্ৰত কি ভুল হ'ল সেয়া চিনাক্ত কৰিবলৈ বানপানীৰ ইতিবৃত্তি গাঁৱত আলোচনা কৰা ।
- গাঁওখন বানপানীৰ পৰা কিমান অপ্ৰতিৰক্ষিত সেয়া দৰ্শাবলৈ ইছৰো (ISRO) ই প্ৰস্তুত কৰা বানপানীৰ আশংকা মানচিত্ৰখন জানিবুজি লওক ।
- মথাউৰিৰ বিপদসংকুল অংশসমূহৰ সন্দৰ্ভত জলসম্পদ বিভাগে প্ৰস্তুত কৰা প্ৰতিবেদন আলোচনা কৰক আৰু এইক্ষেত্ৰত আপোনাৰ নিজাববীয়া মূল্যায়ণ তেওঁলোকক অৱগত কৰক ।
- নৈৰ প্ৰাকৃতিক গতিপথ বা স্বাভাৱিক প্লাৱন ভূমি বেদখল কৰি নিৰ্মাণ কৰা গৃহৰ এক জৰীপ চলাওক ।
- পানীজমা হোৱা বা বানপানী প্ৰৱণ দ অঞ্চলত থকা ঘৰৰ এক জৰীপ কৰা ।
- বানপানীৰ কবলত পৰিব পৰা জনসাধাৰণৰ যিসকল বানপানীৰ মুখামুখি হ'বলৈ সাজু তেনেলোকৰ তালিকাখনত শেহতীয়া তথ্য অন্তৰ্ভুক্ত কৰা ।

# VLMCC এ কি কৰা উচিত

- বানপানী মোকাবিলা কৰাত সহায়কাৰী হ'ব পৰা সামগ্ৰী সাজু কৰা আৰু তালিকাত এনে সামগ্ৰীৰ শেহতীয়া তথ্য অন্তৰ্ভুক্ত কৰা ।
- ইয়াৰ ভিতৰত আছে নাও, ৰছী, তম্বু, ত্ৰিপাল, টৰ্চ লাইট আদি ।
- সাতোঁৰা আৰু ডুবমৰাত ভাল দক্ষতা থকা, কাঠকামৰ জ্ঞান থকা, প্ৰাথমিক চিকিৎসা প্ৰদানত সহায় কৰিব পৰা আদি লোক চিনাক্ত কৰা আৰু উপযোগী হ'ব পৰা এনে মানৱ সম্পদৰ তালিকা প্ৰস্তুত কৰা ।
- জৰুৰীকালীন ব্যৱস্থাপনাৰ বাবে নিয়োজিত SEOC, DEOC, চক্ৰবিষয়াৰ কাৰ্যালয় আৰু অন্যান্য যোগাযোগ নম্বৰৰ শেহতীয়া তথ্যৰ সবিশেষ ৰখা ।
- বানপানীৰ সময়ত অস্থায়ী আশ্ৰয়স্থলী, সাহায্য শিবিৰ বা গৰু-ম'হ ৰখাৰ ঠাই হিচাপে উপযোগী হ'ব পৰা বুলি চিনাক্ত কৰা ঠাই/স্থান/গৃহ আদি জানি বুজি লওক ।
- জীৱ-জন্তুৰ মৃতদেহ নষ্ট কৰাৰ বাবে আচুতীয়াকৈ ৰখা স্থান জানি বুজি লওক ।

# VLMCC এ কি কৰা উচিত

- বান প্ৰভাৱিত লোকৰ বাবে খোৱাপানী, অনাময়ৰ সুবিধা, খাদ্য, পশুখাদ্য আৰু ঔষধ হৈছে জৰুৰীভাৱে প্ৰয়োজনীয় বস্তু আৰু সা-সুবিধা ।
- সমুদায় আৰু গাওঁ পৰ্যায়ৰ সংগঠনবোৰৰ হাতত মজুত থকা তথা উপলব্ধ সম্পদ সম্পৰ্কে এক জৰীপ কৰক আৰু চৰকাৰী বিভাগসমূহে কৰা ব্যৱস্থা পাতিবোৰ জানি-বুজি লওক ।
- সংলগ্ন বিভাগবোৰ সহায়ত নৈৰ পানী খোৱাৰ বাবে বিশুদ্ধ কৰা, অস্থায়ী কম খৰচী পায়খানা নিৰ্মাণ আৰু সাধাৰণ অসুখ-বিসুখৰ বাবে ঔষধ আদিৰ সন্দৰ্ভত গাওঁবাসীৰ বাবে প্ৰশিক্ষণ অনুষ্ঠিত কৰক ।
- অতি প্ৰতিকূল পৰিস্থিতিৰ সময়ত যোগাযোগ ব্যৱস্থা বৰ্তাই ৰখাত কেনেধৰণৰ সমস্যাৰ উদ্ভৱ হয় সেয়া জানি-বুজি লওক আৰু দুৰ্বল দলং, দলং সংযোগীপথৰ শোচনীয় অৱস্থা, নলা-নৰ্দমাৰ ব্যৱস্থা নথকা তথা পানীজমা হোৱা বা বানৰ কবলত পৰিব পৰা পথৰ উপ-পথ নথকাৰ বিষয়ে প্ৰতিবেদন দাখিল কৰক ।
- যোগাযোগৰ মূল পথ ক্ষতিগ্ৰস্থ হ'লে বিকল্প হিচাপে ব্যৱহাৰ কৰিব পৰা বিকল্প পথ চিনাক্ত কৰক ।
- যোগাযোগৰ বাবে লেণ্ডলাইন আৰু মোবাইল ফোনে কাম নকৰা অৱস্থাত তথ্য সৰবৰাহৰ বাবে প্ৰেৰণ কৰিব পৰা ব্যক্তিসকলক চিনাক্ত কৰক ।

# VLMCC এ কি কৰা উচিত

➔ ভূমিকম্পৰ দৰে একে ধৰণৰ প্ৰত্যাহ্বান কাৰ্যকৰীভাৱে মোকাবিলা কৰাৰ উদ্দেশ্যে গাওঁ পৰ্যায়ৰ স্বেচ্ছাসেৱকৰ দ্বাৰা দ্ৰুত সঁহাৰি গোট (Quick Response Team) গঠন কৰক । এনে গোটবোৰ তলত উল্লেখ কৰা কাৰণসমূহৰ বাবে গঠন কৰিব পাৰে ———

- বিপদত পৰা লোকক উদ্ধাৰ কৰা আৰু নিৰাপদ ঠাইলৈ নিয়া ।
- বিপদৰ কবলত পৰাৰ সম্ভাৱনা থকা লোকসকলক অইন ঠাইলৈ যোৱাত সহায় কৰা ।
- গৰু-ম'হ আদিক নিৰাপদ ঠাইলৈ নিয়া ।
- প্ৰাথমিক চিকিৎসা প্ৰদান ।
- অৱস্থা শোচনীয় হৈ পৰা ৰোগীক চিকিৎসালয়/স্বাস্থ্যকেন্দ্ৰলৈ নিয়া ।
- অস্থায়ী আশ্ৰয়/শিবিৰ স্থাপন কৰা ।
- মৃতদেহ আৰু জীৱ-জন্তুৰ মৰাশৰ শেষকৃত্য সম্পন্ন কৰা ।

# VLMCC এ কি কৰা উচিত

- চৰকাৰৰ বিভিন্ন বিভাগসমূহৰ কৰ্তব্য আৰু দায়িত্ববোৰ জনাটো অতি প্ৰয়োজনীয়, যাতে এনে বিভাগসমূহৰ পৰা সেৱা দাবী কৰিব পাৰে । এইক্ষেত্ৰত অসম দুৰ্যোগ ব্যৱস্থাপনা মেন্যুৱেল (Disaster Management Manual)ত থকা ব্যৱস্থাৱলী জানি-বুজি লওক ।
- আক্ৰান্ত লোকসকলক আৰ্থিক সাহায্য প্ৰদানৰ বাবে এছ ডি আৰ এফ (SDRF)ৰ গাইডলাইনো জানি-বুজি লওক ।
- সজাগতা সৃষ্টি অভিযান নিয়মীয়াকৈ চলাই যোৱা উচিত আৰু প্ৰাক্-বৰ্ষাকালত এনে অভিযান তীব্ৰতৰ কৰিব লাগে ।

# চৰকাৰী বিভাগসমূহৰ সৈতে কৰা কাম

- বছৰজুৰি বান-প্ৰভাৱিত অঞ্চলৰ বাবে খাদ্য সুৰক্ষা প্ৰদান হৈছে এক অতি গুৰুত্বপূৰ্ণ বিষয় ।বান-প্ৰতিৰোধী আৰু কম সময়ত উৎপাদন হোৱা সঠিক প্ৰজাতিৰ কৃষিকৰ্ম আৰু খেতি কৰাৰ ধৰণ উপযোগীকৈ সাল-সলনি কৰাৰ দ্বাৰা খাদ্য সুৰক্ষা সুনিশ্চিত কৰিব পৰা যায় ।
- প্ৰশিক্ষণ আৰু বিনিয়োগ সাহায্যৰ বাবে কৃষি বিভাগক কওক ।
- কৃষি বিভাগে নাৰ্চাৰী স্থাপনৰ লগতে বানপানীৰ ফলত কৃষকৰ শস্য নষ্ট হোৱা সমস্যাৰ মোকাবিলা কৰাৰ বাবে বীজ আৰু কঠিয়া পৰ্যাপ্ত পৰিমাণে যোগান ধৰাটো দৰকাৰী ।
- এইক্ষেত্ৰত গ্ৰহণ কৰা ব্যৱস্থাৱলী সম্পৰ্কত তথ্য আৰু ধাৰ্য কৰা মান সম্পৰ্কে সোধক ।
- বানপানীৰ সময়ত যাতে ডুব নাযায় তেনেকৈ কুঁৱাখন্দা বা হস্তচালিত পাম্প স্থাপনৰ ওপৰতে খোৱাপানীৰ সমস্যাৰ স্থায়ী সমাধান নিৰ্ভৰশীল ।
- বানপানীৰ সময়তো সচল হৈ থকাকৈ নলীযুক্ত পানীযোগান আঁচনিবোৰৰ আৰ্হি প্ৰস্তুত কৰা প্ৰয়োজন ।
- এই সন্দৰ্ভত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সৈতে আলোচনা কৰক ।

# চৰকাৰী বিভাগসমূহৰ সৈতে কৰা কাম

- বানপানীৰ সময়ছোৱাত অনাময় সম্বন্ধীয় সমস্যা অতি গুৰুতৰ হৈ পৰে । পায়খানাৰ উদ্ভাৱনীমূলক আৰ্হি প্ৰৱৰ্তন কৰা উচিত ।
- এইক্ষেত্ৰত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ পৰিকল্পনা কি সোধক ।
- বানপ্ৰৱণ অঞ্চলত বাস্তৱিক পৰিৱেশৰ সৈতে খাপ খুৱাকৈ গৃহ নিৰ্মাণৰো প্ৰয়োজন আছে ।
- পঞ্চায়ত আৰু গ্ৰামোন্নয়ন তথা গড়কাপ্তানী (বি) বিভাগে কেনেদৰে গাওঁবাসীক সহায় কৰিব পাৰে সোধক ।
- পানী বৈ যোৱাৰ প্ৰাকৃতিক প্ৰণালীক বাধা প্ৰদান আৰু সংকুচিত কৰা কাৰ্য তথা আৰ্দ্ৰভূমিত বেদখলে বানৰ প্ৰাবল্য বৃদ্ধি কৰে ।
- পানী বৈ যোৱাৰ প্ৰাকৃতিক প্ৰণালীক বাধামুক্ত কৰিবলৈ জলসম্পদ বিভাগক আৰু আৰ্দ্ৰভূমি বেদখলমুক্ত কৰিবলৈ চক্ৰ বিষয়াক কওক ।

# চৰকাৰী বিভাগসমূহৰ সৈতে কৰা কাম

- নিৰাপদ তথা ওখ স্থানত উপযুক্ত সংযোগী পথৰ সৈতে বিদ্যালয় আৰু চিকিৎসালয় নিৰ্মাণ কৰাটো শিক্ষা আৰু স্বাস্থ্য তথা পৰিয়ালকল্যাণ বিভাগৰ দায়িত্ব ।
- প্ৰতিকাৰমূলক ব্যৱস্থাৱলী ল'বলৈ এই বিভাগকেইটাৰ সৈতে যোগাযোগ কৰক ।
- ৰাহি হোৱা খাদ্য শস্য মজুত ৰখাটো খাদ্য আৰু অসামৰিক যোগান বিভাগৰ দায়িত্ব । মজুত কৰা সামগ্ৰী কেনেদৰে কিমান ৰখা হৈছে সেই সম্বন্ধে বিভাগটোৰ পৰা তথ্য লওক ।
- গৰু-ম'হৰ বাবে পৰ্যাপ্ত খাদ্য তথা ঔষধ সুনিশ্চিত কৰাৰ ক্ষেত্ৰত পশুপালন বিভাগৰ পৰিকল্পনা সম্বন্ধে সোধক ।
- মকড্ৰীল কৰা আৰু স্বেচ্ছাসেৱকক পানীত ডুব মৰা তথা আন উদ্ধাৰ কাৰ্যৰ দক্ষতা বৃদ্ধিৰ প্ৰশিক্ষণৰ বাবে চক্ৰবিষয়াৰ জৰিয়তে এছ ডি আৰ এফৰ কাষ চাপক ।
- মাটিৰ গুণমানৰ ওপৰত বানৰ প্ৰভাৱ উপকাৰী আৰু অপকাৰী দুয়োটাই হ'ব পাৰে । মাটিৰ গুণমান তথা ভূমিৰ উৎপাদনশীলতাৰ ওপৰত ইয়াৰ প্ৰভাৱ সম্পৰ্কে পৰীক্ষা কৰাটো ভূমি সংৰক্ষণ বিভাগৰ দায়িত্ব ।
- মাটিৰ গুণমান সম্বন্ধীয় ফলাফল আৰু এই মান পুনৰুদ্ধাৰ কৰাৰ পৰিকল্পনা সম্পৰ্কে বিভাগটোক সোধক ।

# During Flood

# বানপানীৰ সময়ছোৱাত

# বানপানীৰ সময়ছোৱাত

→ বানপানীয়ে চাৰিধৰণেৰে আঘাত কৰিব পাৰেঃ উষ্ণ বানপানী, নিম্ন বানপানী, মথাউৰি ভঙাৰ ফলত হঠাৎ হোৱা বানপানী বা বান্ধে (dam)ৰ পানীবোৰ অঘোষিতভাৱে এৰি দিয়া আৰু উজনিত অধিক ধাৰাসাৰে বৰষুণ হোৱাৰ ফলত হঠাৎ হোৱা বানপানী ।

→ তলত উল্লেখিত ব্যৱস্থাসমূহ গ্ৰহণ কৰা উচিতঃ

- সৰ্বাধিক গতিৰ সৈতে নিশ্চিত উৎসৰ পৰা দুৰ্যোগৰ সংকেত বাণী / সম্বাদ (Warning/information)গ্ৰহণ কৰা আৰু এইবোৰ বিনিময় বা বিস্তাৰিত কৰা ।
- দ্ৰুত সঁহাৰি গোটসমূহৰ জৰিয়তে ঠাই খালী কৰোৱা আৰু অস্থায়ী আশ্ৰয় শিবিৰ কেন্দ্ৰ সমূহলৈ বিপদগ্ৰস্তসকলক লৈ যোৱা ।
- DEOC, SEOC বা অন্যান্য সহায়কাৰী নম্বৰবোৰৰ জৰিয়তে কৰ্তৃপক্ষৰ সৈতে সাহাৰ্য্যৰ বাবে যোগাযোগ কৰা ।
- উৰাবাতৰি তথা ক্ষয়-ক্ষতিৰ অতিৰঞ্জিত বৃত্তান্তৰ ব্যাপ্তিৰ পৰা আঁতৰত ৰখা ।

# বানপানীৰ পিছত

# ক্ষয়ক্ষতিৰ মূল্যাংকন

- যি সকলে নিজৰ জীৱন হেৰুৱাব লগা হৈছে তথা আক্ৰান্ত ব্যক্তিসকল যেনে ক্ষতিগ্ৰস্ত ঘৰ, খেতিৰ লোকচান, ক্ষতিগ্ৰস্ত কৃষিভূমি, গৰু ম'হৰ ক্ষতি, ক্ষতিগ্ৰস্ত পথ, মথাউৰি, বিদ্যালয়, অঙ্গনবাড়ী কেন্দ্ৰ আদিৰ মেৰামতিৰ বাবে SDRF এ NOK (Next of Kin) সমূহলৈ আৰ্থিক সাহাৰ্য্য প্ৰদান কৰে ।
- SDRF (State Disaster Respond Fund)ৰ নিৰ্দেশনাৱলীৰ সৈতে নিজকে পৰিচিত ৰাখক যাতে চৰকাৰৰদ্বাৰা পৰিচালিত ক্ষয়-ক্ষতিৰ মূল্যাংকন অনুশীলনত নজৰ ৰাখিব পাৰে ।
- পলস পৰা মাটি, ক্ষতিগ্ৰস্ত শস্যৰ বিপৰীতে পোৱা সাহাৰ্য্য, সৰু আৰু ডাঙৰ গৰু-ম'হ আদিৰ ক্ষতিৰ বৃত্তান্তৰ ক্ষেত্ৰত সৰ্বাধিক সমস্যাৰ সন্মুখীন হ'ব লগা হয় ।
- ৰিপৰ্ট প্ৰস্তুতকৰণৰ ক্ষেত্ৰত প্ৰকৃত সংখ্যা নিশ্চিত কৰাত কৃষি আৰু পছু চিকিৎসা বিভাগৰ সৈতে সহযোগ কৰা ।
- আৰ্থিক সাহাৰ্য্য দাবী কৰা আক্ৰান্ত ব্যক্তি আৰু ক্ষতিগ্ৰস্ত সম্পদৰ ফটোগ্ৰাফ আৰু ক্ষতিগ্ৰস্ততা মূল্যাংকন কৰাৰ সময়তে লৈ যোৱাটো সুনিশ্চিত কৰা ।
- চৰকাৰলৈ প্ৰেৰণ কৰাৰ আগতে ক্ষয়ক্ষতিৰ মূল্যায়ন ৰিপৰ্টবোৰ গাওঁবাসীৰ সৈতে মুকলি সভা পাতি আলোচনা কৰা ।
- প্ৰকৃতাৰ্থত যিমান ক্ষতি হৈছে তাতকৈ কম বা অধিককৈ দেখুৱা ৰিপৰ্টসমূহ সম্পূৰ্ণকৈ চক্ৰবিষয়াক অৱগত কৰা ।

# ভূমিস্খলনৰ সৈতে মোকাবিলা

# ভূমিস্খলন হোৱাৰ আগেয়ে

*দূৰ্বল পাহাৰ/টিলা চিনাক্তকৰণঃ*

➔ পাহাৰ/টিলাৰ আকৃতিৰ সাল-সলনি হোৱাৰ ইতিবৃত্ত আলোচনা কৰক ।

➔ ভাৰসাম্যহীন গৰা বা ঢালেই পাহাৰ/টিলাবোৰ বিপজ্জনক কৰি তোলে ।

➔ বিভিন্ন কাৰণ যেনে – পাহাৰৰ ওপৰভাগত নিৰ্বনানীকৰণ, গৰাৰ গছ-গছনি কটা, নলা বা জান সৃষ্টি, অপৰিকল্পিত কৃষিকৰ্ম, গৰাত জনবসতি স্থাপন, পাহাৰ কটা বা শিলখনন আদিয়ে ভাৰসাম্যহীন গৰাৰ সৃষ্টি কৰে ।

➔ এইধৰণৰ কামকাজে মাটি আৰু শিলৰ ভূতাত্বিক গাঁঠনি দুৰ্বল কৰি পেলায় আৰু যাৰ ফলস্বৰূপে প্ৰৱল বৰষুণ আৰু ভূমিকম্পৰ সময়ত এইবোৰ তীব্ৰবেগত নামি আহে ।

✱ ভূতাত্বিক গাঁঠনি কিদৰে সলনি হৈছে সেয়া নিৰীক্ষণ কৰিলেই সমস্যাটোৰ ভয়াৱহতা আৰু কোনবোৰ অঞ্চল বিপদসংকুল বুজি পাব পাৰি ।

# ভূমিস্খলন হোৱাৰ আগেয়ে

→ বিক্ষিপ্ত কাৰকবোৰ নিৰ্ধাৰণ কৰকঃ

* পাহাৰৰ গৰা আৰু পাদদেশত হৈ থকা অহৰহ বেদখল,
* গৰাত যোগাযোগৰ খুঁটা (টাৱাৰ) বা বৈদ্যুতিক খুঁটাৰ অৱস্থিতি,
* পাদদেশত বিদ্যালয়, চিকিৎসালয় আদিৰ দৰে ৰাজহুৱা ভৱন নিৰ্মাণ,
* প্ৰাকৃতিক নলাক ভেটা প্ৰদান আৰু উপযুক্ত সুৰক্ষা তথা নলা-নৰ্দমাৰ সুবিধা নথকাকৈ ৰাষ্টা/আলি নিৰ্মাণ,

→ গাওঁবাসীৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে ভূমি সংৰক্ষণ, বন, খনি আৰু ভূতত্ব বিভাগৰ বিষয়াৰ সৈতে আলোচনা অনুষ্ঠিত কৰিবলৈ চক্ৰবিষয়াৰ জৰিয়তে DDMA (জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ)ৰ ওচৰ চাপক ।

→ ভূমিস্খলন প্ৰৱণ বুলি চিহ্নিত সকলো স্থানতেই জাননীফলক লগাবলৈ DDMAক অনুৰোধ কৰক ।

# ভূমিস্খলন হোৱাৰ আগেয়ে

* পাহাৰৰ গৰা আৰু নামনি বা পাদদেশত হোৱা বেদখল আঁতৰ কৰাৰ বাবে চক্ৰবিষয়াৰ জৰিয়তে উপায়ুক্তলৈ প্ৰস্তাৱ প্ৰেৰণ কৰক ।
* পাহাৰৰ নামনিত নাইবা ভূমিস্খলৰ দ্বাৰা প্ৰভাৱিত হোৱাৰ সম্ভাৱনা থকা অঞ্চলত বাসগৃহ থকা পৰিয়ালৰ সৈতে তেওঁলোকে অৱলম্বন কৰিব লগা সাৱধানতা সন্দৰ্ভত বৈঠক অনুষ্ঠিত কৰক ।
* নিৰ্বনানীকৰণ আৰু পাহাৰ কটা কাৰ্যৰ বিৰুদ্ধে শান্তিপূৰ্ণ প্ৰতিবাদ অনুষ্ঠিত কৰক ।
* ভূমিস্খলনৰ দ্বাৰা প্ৰভাৱিত হোৱাৰ সম্ভাৱনা থকা স্থানৰ পৰা ৰাজহুৱা ভৱন, বিদ্যুৎ খুঁটা, টাৱাৰ আদি আতঁৰ কৰাৰ বাবে আবেদন জনাওক ।

# ভূমিস্খলনৰ পূৰ্বে

- উদ্ধাৰ অভিযান চলোৱাৰ সময়ত আবৰ্জনা আঁতৰ কৰিবলৈ দ্ৰুত সহাঁৰি গোটবোৰ( Quick Response Team) সহায়ক হ'ব কিন্তু অতিবেছি ভূমিস্খলনৰ ক্ষেত্ৰত জেচিবি / ডাম্পাৰ, কৰত / কাটাৰ, জেনেৰেটৰ, জখলা আদিৰ দৰে সজুঁলিসমূহৰ প্ৰয়োজন আহি পৰিব ।
- তাৎক্ষণিক সহায়ৰ বাবে নিৰ্দিষ্ট বিষয়াসকলৰ যোগাযোগ নম্বৰ মজুত কৰি ৰাখিব লাগে ।
- উন্নত প্ৰস্তুতিৰ বাবে নিৰ্দিষ্ট বিভাগৰ বিষয়াসকলৰ সৈতে প্ৰাক্-বৰ্ষাকালীন আলোচনা অনুষ্ঠিত কৰিব লাগে ।
- ভূমিকম্প আৰু বানপানীৰ মোকাবিলা কৰিবলৈ ইতিমধ্যে কৰা আলোচনাৰ ভিত্তিত সজাগতামূলক অভিযান অনুষ্ঠিত কৰিব লাগে ।

# কেতবোৰ দৰকাৰী সুৰক্ষামূলক ব্যৱস্থা

✱ *দৰকাৰী সুৰক্ষামূলক আৰু প্ৰতিকাৰক ব্যৱস্থাবোৰ হৈছেঃ*

- ➔ এঢলীয়া ঠাইত গছ-গছনি ৰোপন ।
- ➔ মাটি ধৰি ৰখা দেৱাল আৰু চাদৰ বেৰৰ পুনৰসুদৃঢ়কৰণ ।
- ➔ তাঁৰৰ সহায়ত শিল বান্ধি ৰখা দেৱাল ( Gabions ) নিৰ্মাণ ।
- ➔ ভূমিস্খলন প্ৰৱণ অঞ্চলৰ নিম্নভাগ শিলৰ সহায়ত সবল কৰা ।
- ➔ পথালিকৈ নলা স্থাপন ।
- ➔ দমকলৰ ব্যৱহাৰ ।

# কেতবোৰ দৰকাৰী সুৰক্ষামূলক ব্যৱস্থা

- ➔ যিবোৰ স্থানৰ পৰা শিল খহি পৰিব পাৰে অথবা শিল ভাগি পৰিব পাৰে তেনে স্থানৰ ভূমিৰ উপৰিভাগ ঢাক খোৱাকৈ লোৰ জালিকা লগোৱাটো এক কাৰ্যকৰী পদক্ষেপ ।
- ➔ খহনীয়া হৈ থকা টান মাটিৰ অতি থিয় গৰাত খাজ কাটি তেনে খহনীয়া ৰোধ কৰিব পাৰি ।
- ➔ কাঠৰ আবদ্ধবেৰ (Wooden Crib-Wall) হৈছে গৰাৰ যিকোনো মুহুৰ্তত খহি পৰিব পৰা অংশ আৰু গৰাৰ নিম্নভাগ তাৎক্ষণিকভাৱে ধৰি ৰখাৰ এক উৎকৃষ্ট পদ্ধতি ।
- ➔ ঘাঁহ-বন যুক্ত শিলৰ বেৰ আৰু ঘাঁহ-বন যুক্ত তাঁৰেৰে শিল বান্ধি ৰখা দেৱাল ।

# যেতিয়া ভূমিস্খলন হয়

- ✳ দুই ধৰণৰ লোক ভূমিস্খলনৰদ্বাৰা প্ৰভাৱিত হয়ঃ যিসকল প্ৰভাৱিত অঞ্চলটোৰ ওচৰত থাকে আৰু যিসকলে ভূমিস্খলন প্ৰভাৱিত অঞ্চলটোৰে যাতায়ত কৰে ।
- ✳ তাৎক্ষণিক কাম হ'ব লোকসকলক তেনে ঠাইৰ পৰা আঁতৰাই নিয়া আৰু সুৰক্ষিত ঠাইত ৰখা ।
- ✳ ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী (SDRF) আৰু গড়কাপ্তানী বিভাগৰ উদ্ধাৰকাৰী দল নিয়োগৰ বাবে ঘটনা সম্পৰ্কে তৎকালে DEOC ক অৱগত কৰা উচিত ।
- ✳ আক্ৰান্ত যথেষ্টসংখ্যক লোকৰ হাড়ভাঙিব পাৰে নতুবা মূৰত আঘাত পাব পাৰে । তেনে লোকৰ তৎকালীন চিকিৎসাৰ প্ৰয়োজন আহি পৰিব । সেয়ে, ভ্ৰাম্যমান চিকিৎসা দল আৰু এম্বুলেন্স প্ৰেৰণৰ বাবে ওচৰৰ ৰাজহুৱা স্বাস্থ্য কেন্দ্ৰ (PHC)ক খবৰ দিয়া উচিত ।

# যেতিয়া ভূমিস্খলন হয়

* ভূমিস্খলনত আবদ্ধ লোকৰ পৰিয়ালৰ সদস্যক খবৰ দিয়া উচিত ।
* প্ৰাথমিক চিকিৎসা সেৱা প্ৰদান, আশ্ৰয় শিবিৰ স্থাপন আদিৰ বাবে গ্ৰাম্য স্বেচ্ছাসেৱকৰ দ্ৰুত সঁহাৰি দলক কাম আৰম্ভ কৰিবলৈ দিয়া উচিত ।
* ভূমিস্খলনৰ ক্ষেত্ৰতো বানপানী আৰু ভূমিকম্পৰ ক্ষেত্ৰত মানি চলা ক্ষতিগ্ৰস্থতা নিৰূপণৰ নীতিনিয়মসমূহ মানি চলা উচিত ।
* প্ৰয়োজনীয় প্ৰতিৰোধমূলক ব্যৱস্থা যাতে ল'ব পৰা যায়, তাৰ বাবে ঘটি যোৱা ঘটনাৰ অভিজ্ঞতা লিপিবদ্ধ কৰি চৰকাৰী বিভাগসমূহক অৱগত কৰা উচিত ।

# সাহাৰ্য্য আৰু পুনৰুদ্ধাৰৰ কাম-কাজ আৰম্ভকৰণ

# সাহার্য্য শিবিৰ স্থাপন

- ক্ষতিগ্ৰস্থ লোকলৈ সাহায্য প্ৰদানৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ আৰু অসম সাহায্য ব্যৱস্থাপনা মেনুৱেল অনুযায়ী ক্ষতিগ্ৰস্থ লোকসকলে নিজ নিজ গৃহলৈ উভটিব পৰা নোহোৱা পৰ্যন্ত সাহায্য শিবিৰ স্থাপনৰ ব্যৱস্থা আছে ।
- ক্ষতিগ্ৰস্থ লোকসকলক সাহায্য প্ৰদানৰ বাবে ৰাজ্যিক দুৰ্যোগ সম্পদ পুঁজিয়ে নীতি-নিৰ্দেশনা ধাৰ্য কৰি দিছে ।
- সাহায্য প্ৰদানৰ কাম-কাজ ত্ৰুটীমুক্ত হোৱাটো নিশ্চিত কৰিবলৈ অসম দুৰ্যোগ ব্যৱস্থাপনাৰ মেনুৱেল আৰু এচ ডি আৰ এফ (SDRF)ৰ নীতি-নিৰ্দেশনাৰ বিষয়ে সম্যক জ্ঞান আহৰণ কৰক ।

# সাহায্য শিবিৰ স্থাপন

*সাহাৰ্য্য শিবিৰ সম্পৰ্কীয় জানিবলৈ দৰকাৰী দিশবোৰঃ*

- প্ৰত্যেক সাহাৰ্য্য শিবিৰতে এজন তদাৰক থাকিবই লাগিব । তেওঁ শিবিৰত থকা প্ৰত্যেকৰে শ্ৰেণী অনুযায়ী (পুৰুষ-মহিলা, নৱজাতক, ছয়বছৰৰ তলৰ শিশু, শাৰীৰিকভাৱে বাধাগ্ৰস্থ লোক, গৰ্ভৱতী মহিলা, বৃদ্ধ) সম্পূৰ্ণ তথ্য মজুত ৰাখিব ।
- সাহাৰ্য্য শিবিৰত পুৰুষ আৰু মহিলাৰ বাবে পৃথকে পৃথকে থকাৰ সুবিধা থকা উচিত ।
- পুৰুষ আৰু মহিলাৰ বাবে শিবিৰত পৃথক গা-ধোৱা আৰু অনাময়ৰ সুবিধা থাকিব ।
- বিশুদ্ধ খোৱাপানী থকাটো নিশ্চিত কৰা উচিত ।
- SDRF ৰ নীতি-নিৰ্দেশনা অনুযায়ী ৰন্ধা খাদ্য বা খাদ্যশস্য প্ৰদান কৰিব লাগে ।
- শিশু তথা ছয়বছৰৰ তলৰ ল'ৰা-ছোৱালীক বিশেষ খাদ্য প্ৰদান কৰা উচিত ।

# সাহাৰ্য্য শিবিৰ স্থাপন

- আক্ৰান্ত গাওঁৰ এ.এন.এম( ANM) আৰু অংগনবাড়ী কৰ্মী (AWW)সকলে সাহায্য শিবিৰত থাকি শিশু আৰু দূৰ্গত লোকৰ যত্ন লোৱা উচিত ।
- ক্ষতিগ্ৰস্থ গাওঁৰ শিক্ষকসকলে শিবিৰতেই পাঠদানৰ ব্যৱস্থা কৰিব ।
- চিকিৎসকৰ দলে নিয়মীয়াকৈ শিবিৰলৈ অহা উচিত ।ৰোগী বা গৰ্ভৱতী মাতৃক চিকিৎসালয়লৈ নিয়াৰ বাবে শিবিৰত ব্যৱস্থা থাকিব লাগে ।
- SDRF ৰ নিৰ্দেশনাৰ অধীনত বিত্তীয় সাহাৰ্য্য লাভ কৰাৰ যোগ্যতা থকা শিবিৰবাসীসকলৰ ভিতৰত যিসকলৰ বেংক একাউন্ট নাই তেওঁলোকক শিবিৰতে এক বিশেষ অভিযান অনুষ্ঠিত কৰি বেংক একাউন্ট খোলাৰ ব্যৱস্থা কৰি দিয়া হ'ব ।
- চৰকাৰ তথা স্বেচ্ছাসেৱী সংগঠনৰ পৰা পোৱা সাহাৰ্য্যৰ সমুদায় তথ্য ৰখা উচিত ।
- শিবিৰৰ তদাৰকে পৰিস্থিতিৰ প্ৰতিবেদন প্ৰতিদিনেই প্ৰেৰণ কৰা উচিত ।
- VLMCC এ সমগ্ৰ প্ৰক্ৰিয়াৰ প্ৰতি তীক্ষ্ণ দৃষ্টি ৰাখিব ।

# সাহাৰ্য্য শিবিৰ স্থাপন

*সাহায্য শিবিৰ স্থাপন কৰাটো চৰকাৰৰ দায়িত্ব । কিন্তু আপুনিও নিম্নোক্ত ধৰণে সহায়ৰ হাত আগবঢ়াব পাৰে ——*

- মৃত, আহত আৰু নিখোজসকলৰ সঠিক তথ্য যোগান ধৰি ।
- ক্ষতিগ্ৰস্থ পৰিয়ালসমূহ চিনাক্ত কৰি তথা শিবিৰত আশ্ৰয় লোৱা লোকৰ তালিকা প্ৰস্তুতৰ দ্বাৰা
- শিবিৰবাসীৰ বাবে তাৎক্ষণিকভাৱে প্ৰয়োজন হোৱা খৰি, পাকঘৰৰ সঁজুলি, মহিলা আবাসীসকলৰ আচুতীয়াকৈ থকাৰ সুবিধাৰ্থে অস্থায়ী বেৰ নিৰ্মাণ, শাক-পাচলি বা অন্যান্য কৃষিজাত বস্তু আদিৰ দৰে স্থানীয়ভাৱে পোৱা সামগ্ৰী সংগ্ৰহৰ দ্বাৰা ।
- সাহাৰ্য্য সামগ্ৰী বিতৰণত সহায়ৰ হাত আগবঢ়োৱাৰ দ্বাৰা ।
- শিবিৰবাসীসকললৈ মনঃস্তাত্তিক তথা সামাজিক সহায় আৰু আন্তৰিক সমৰ্থন প্ৰদান ।
- সাহাৰ্য্য শিবিৰ পৰিচালনা কাৰ্যত সৰ্বাধিক স্বচ্ছতা থকাটো সুনিশ্চিত কৰাৰ দ্বাৰা ।

# ক্ষয়-ক্ষতিৰ পৰিমাণ নিৰ্দ্ধাৰণ

✳ স্বাভাৱিক পৰিস্থিতি ঘূৰাই অনাৰ প্ৰক্ৰিয়াত ক্ষতিগ্ৰস্থ লোকসকলক সঠিকভাৱে সহায় কৰিবলৈ জীৱন আৰু সা-সম্পত্তিৰ ক্ষয়-ক্ষতিৰ সঠিক পৰিমাণ নিৰ্দ্ধাৰণ কৰাটো অতি গুৰুত্বপূৰ্ণ ।

✳ *আপুনিও সহায় কৰিব পাৰে এইদৰে* ———

- ক্ষয়-ক্ষতিৰ পৰিমাণ নিৰ্দ্ধাৰণ কৰা দলে ভ্ৰমণ কৰা দিনটোত গাওঁবাসীক উপস্থিত থাকিবলৈ কৈ ।
- ক্ষতিগ্ৰস্থ লোক চিনাক্তকৰণত এনে দলক সহায় কৰি ।
- ক্ষতিগ্ৰস্থ হোৱা অঞ্চলবোৰলৈ এনে দলক লৈ যোৱাৰ দ্বাৰা ।

✳ চৰকাৰী বিষয়াৰ দলে প্ৰস্তুত কৰা প্ৰতিবেদনত যাতে বাস্তৱিক সত্য প্ৰতিফলিত হয় সেয়া সুনিশ্চিত কৰাৰ বাবে আপুনিও এনে প্ৰতিবেদন পুনৰীক্ষণ কৰিব ।

✳ DEOC নাইবা সমিতিৰ লিখিত প্ৰস্তাৱৰ জৰিয়তে বাস্তৱিক পৰিস্থিতি লঘূ কৰি নতুবা অতিৰঞ্জিত কৰি প্ৰস্তুত কৰা প্ৰতিবেদনৰ কথা চক্ৰবিষয়া আৰু জিলা উপায়ুক্ত /মহকুমাধিপতিক অৱগত কৰিব ।

✳ ক্ষয়-ক্ষতিৰ পৰিমাণ নিৰ্দ্ধাৰণত বিলম্ব হ'লে প্ৰতিবাদ সাব্যস্ত কৰিব ।

# গৰু ম'হৰ যত্ন লোৱা

* আবদ্ধ হৈ থকা গৰু ম'হবোৰ মুকলিকৈ এৰি দিয়াটো নিশ্চিত কৰিব ।
* গৰু ম'হৰ বাবে দানা-পানী খোৱাৰ ব্যৱস্থাসহ অস্থায়ী গোহালিঘৰ নিৰ্মাণ কৰা উচিত ।
* মৃত আৰু জীৱিত জীৱ-জন্তৰ সংখ্যা তথা প্ৰয়োজন হোৱা পশুখাদ্যৰ তথ্য অৱগত কৰাৰ বাবে পশুপালন আৰু পশুচিকিৎসা বিভাগৰ বিষয়াৰ সৈতে শীঘ্ৰে যোগাযোগ স্থাপন কৰা উচিত ।
* স্বাস্থ্যকৰ আৰু পৰিস্কাৰ পৰিৱেশ ৰক্ষা কৰা বাবে মৃতদেহবোৰৰ শেষকৃত্য কৰাটো অতি দৰকাৰী ।
* আঘাতপ্ৰাপ্ত গৰু ম'হৰ চিকিৎসা অথবা মৃতদেহৰ শেষকৃত্য কৰাৰ কামত বিলম্ব ঘটিলে বা ত্ৰুটী থাকিলে খবৰ দিয়ক ।

# দ্ৰুত আৰু কাৰ্যকৰীভাৱে স্বাভাৱিক অৱস্থা ঘূৰাই অনা কাৰ্য সুনিশ্চিতকৰণ

- স্বাভাৱিক অৱস্থা ঘূৰাই অনা আৰু পুনৰ সংস্থাপনৰ কাম–কাজলৈ তীক্ষ্ণ দৃষ্টি ৰাখক ।
- আৰ্থিক সাহাৰ্য্য বিতৰণত বিলম্ব ঘটিলে তেনে কথা অৱগত কৰক ।
- পুনৰ নিৰ্মাণৰ কাম–কাজ নিম্নমানৰ হ'লে অৱগত কৰক ।
- ভৱিষ্যতৰ বাবে প্ৰস্তুতি উন্নত কৰিবলৈ হাতত ল'বলগীয়া বিষয়সমূহ চিনাক্তকৰণৰ অৰ্থে ৰাইজে সন্মুখীন হোৱা সমস্যা আৰু সমস্যা মোকাবিলা কৰাৰ ধৰণ সম্পৰ্কে যথেষ্ট পৰিমাণৰ আলোচনা অনুৰ্ষ্ঠিত কৰক ।
- প্ৰত্যেকটো VLMCC এ ভৱিষ্যতৰ কাৰ্যপন্থা নিৰ্দ্ধাৰণ সম্পৰ্কীয় এক বিস্তৃত প্ৰতিবেদন প্ৰস্তুত কৰিব লাগিব ।

# ভূগৰ্ভস্থ পানীৰ ব্যৱস্থাপনা সম্পৰ্কে জানিবলগীয়া কথা

- অসম প্ৰধানতঃ বৰ্ষা-সিক্ত (Rain-fed) ৰাজ্য
- ভূপৃষ্ঠস্থিত আৰু ভূগৰ্ভস্থিত পানীৰ ফলপ্ৰদ ব্যৱস্থাপনাৰে পানীৰ পৰ্যাপ্ততা বৃদ্ধি কৰাটো বৰ্ষা-সিক্ত অঞ্চলৰ বাবে প্ৰয়োজনীয় ।
- পৃথিৱীৰ পৃষ্ঠৰ তলৰ শিলাস্তৰত জমা হৈ থকা ভূগৰ্ভস্থ পানী হৈছে ৰাষ্ট্ৰৰ অন্যতম প্ৰাকৃতিক সম্পদ ।
- ৬০ শতাংশতকৈ অধিক জলসিঞ্চনৰ দ্বাৰা কৰা কৃষিকৰ্ম আৰু ৮৫ শতাংশতকৈ অধিক খোৱাপানীৰ যোগান ভূগৰ্ভস্থ পানীৰ ওপৰত নিৰ্ভৰশীল ।
- আমাৰ এক হিচাপ অনুসৰি গাঁৱত বাস কৰা ৭০০ নিযুতকৈ অধিক ভাৰতীয়ই তেওঁলোকৰ দৈনিক প্ৰয়োজনৰ বাবে সম্পূৰ্ণভাৱে ভূগৰ্ভস্থিত পানীৰ ওপৰত নিৰ্ভৰ কৰে ।

# ভূগৰ্ভস্থ পানীৰ ব্যৱস্থাপনা সম্পৰ্কে জানিবলগীয়া কথা

- বৰ্ষাকালীন বৰষুণৰ তাৰতাম্যৰ বিপৰীতে ভূগৰ্ভস্থ পানীয়ে এক গুৰুত্বপূৰ্ণ ভাণ্ডাৰ হিচাপে কাম কৰে ।
- অকল ভূপৃষ্ঠৰ পানীৰ ওপৰত নিৰ্ভৰশীল খেতিৰ তুলনাত ভূগৰ্ভস্থ পানীৰে জলসিঞ্চন কৰি কৰা কৃষিকৰ্মত পানীৰ ওপৰত নিৰ্ভৰশীল কৃষিৰ উৎপাদনশীলতা দুগুণ বৃদ্ধি হয় । ইয়াৰ প্ৰধান কাৰণ হৈছে ভূগৰ্ভত পানী থকাৰ ফলত কৃষকে খেতিপথাৰত প্ৰয়োজন হোৱাৰ সময়তহে পানীযোগান ধৰিবলৈ আৰু যিমান প্ৰয়োজন সিমানহে পানী যোগান ধৰিবলৈ সুবিধা পায় ।
- ভূগৰ্ভস্থ পানীৰ অত্যধিক ব্যৱহাৰৰ ফলত এনে জলভাণ্ডাৰে বহন কৰিব নোৱাৰা পৰ্যায় পাইছেগৈ । বিশ্ববেংকৰ এক প্ৰতিবেদন অনুযায়ী বৰ্তমানৰ এই ধাৰা অব্যাহত থাকিলে অহা ২০ বছৰত ভাৰতৰ প্ৰায় ৬০ শতাংশ ভূগৰ্ভস্থ জলভাণ্ডাৰৰ অৱস্থা শোচনীয় হৈ পৰিব ।
- ইয়াৰ ফলত কৃষিকৰ্ম বৰ্তাই ৰখা, দীৰ্ঘকালীন খাদ্য সুৰক্ষা, জীৱিকা আৰু অৰ্থনৈতিক বিকাশত ব্যাপক প্ৰভাৱ পৰিব ।

# ভূগৰ্ভস্থ পানীৰ ব্যৱস্থাপনা সম্পৰ্কে জানিবলগীয়া কথা

✱ ভূগৰ্ভস্থ পানীৰ ব্যৱস্থাপনাৰ আচৰণবিধিবোৰ (Protocols) হৈছে –

⇒ জলপ্ৰবাহ উন্নীতকৰণৰ অংশ হিচাপে ভূগৰ্ভস্থ পানীৰ পৰিমাণ বৃদ্ধি কৰা আৰু সুৰক্ষা প্ৰদানৰ অৰ্থে লোৱা পৰিকল্পনা,

⇒ প্ৰাকৃতিকভাৱে পানীসঞ্চয় হোৱা অঞ্চলক সুৰক্ষা প্ৰদান,

⇒ কুঁৱাৰ ফলপ্ৰদ ব্যৱহাৰ,

⇒ শক্তিৰ ব্যৱহাৰ নিয়ন্ত্ৰণ (বিশেষকৈ পাম্পৰ সামৰ্থ)

⇒ নাদ আৰু নাদৰ গভীৰতাৰ মাজৰ ব্যৱধান নিৰ্দ্ধাৰণ,

⇒ পানীৰ ওপৰত নিৰ্ভৰশীল কৃষিৰ ব্যৱস্থাপনা,

✱ এই আচৰণবিধিবোৰ বলবৎ কৰাৰ অৰ্থে এক উচ্চমানৰ প্ৰশিক্ষণ কাৰ্যসূচীৰ জৰিয়তে ৰাইজক জড়িত কৰাৰ প্ৰয়োজন আছে ।

# ভূগৰ্ভস্থ পানীৰ ব্যৱস্থাপনা সম্পৰ্কে জানিবলগীয়া কথা

- ভূগৰ্ভস্থ পানীৰ ব্যৱহাৰে ভাৰতত বহুধৰণৰ প্ৰভাৱ পেলাইছে, ইয়াৰে সুস্পষ্ট প্ৰভাৱটো হৈছে নিম্নগামী পানীৰ স্তৰ আৰু জল-প্ৰাপ্তিৰ পৰিমাণ হ্ৰাস । ইয়াৰ ফলত ব্যৱহাৰকাৰীয়ে বেছি গভীৰতাৰ পৰা পানী পাম্পযোগে তুলিব লগা হৈছে, উচ্চক্ষমতাসম্পন্ন পাম্পছেট স্থাপন কৰিব লগা হোৱাত মাটিৰ গভীৰলৈ পাইপ স্থাপনৰ খৰচ অধিক বৃদ্ধি পাইছে ।
- ভূগৰ্ভস্থ পানীৰ প্ৰদূষণে ভাৰতত ভূগৰ্ভস্থ জলৰ অত্যধিক ব্যৱহাৰৰ অন্যতম পৰিণাম হিচাপে থিয় দিছে ।
- তথ্য লাভ কৰা ৫৯৩ খন জিলাৰ ভিতৰত দেখা গৈছে যে ইয়াৰে ২০৩ খন জিলাত ফ্ল’ৰাইডৰ উচ্চমাত্ৰা, ২০৬ খন জিলাত আইৰণ, ১৩৭ খন জিলাত লৱণীয় পানী, ১০৯ খন জিলাত নাই’ট্ৰেট আৰু ৩৫ খন জিলাত আৰ্ছেনিকৰ সমস্যাৰ উদ্ভৱ হৈছে ।

# ভূপৃষ্ঠৰ পানীৰ ব্যৱস্থাপনা সম্পৰ্কে জানিবলগীয়া কথা

- ভূগৰ্ভস্থ পানীৰ ব্যৱহাৰৰ বাবে পৰা হেঁচা হ্ৰাস কৰাই নহয়, ভূগৰ্ভত পানীৰ পৰিমাণ বৃদ্ধি কৰাৰ বাবেও ভূপৃষ্ঠৰ পানীৰ ব্যৱস্থাপনা সমানে দৰকাৰী ।
- পানী থকা অঞ্চলত হোৱা বেদখল আৰু গেদ জমা হোৱাটো হৈছে ভূপৃষ্ঠৰ পৰা পানী সংগ্ৰহ কৰা গাঁথনিবোৰৰ প্ৰধান সমস্যা ।
- আদ্ৰভূমিৰ সংৰক্ষণ, কুঁৱাবোৰ উপযুক্তভাৱে চোৱাচিতা আৰু বৰষুণৰ পানী সংৰক্ষণ কৰা গাঁথনি নিৰ্মাণৰ দ্বাৰা VLCC এ প্ৰভূত অৰিহণা যোগাব পাৰে ।
- জনসাধাৰণৰ মাজত পানীৰ ব্যৱহাৰৰ প্ৰয়োজনীতাসমূহৰ প্ৰাথমিকতা, পানীৰ ব্যৱহাৰৰ নীতি-নিয়ম, অধিকাৰ, দাম নিৰ্দ্ধাৰণ, চোৱাচিতা আৰু তেনেধৰণৰ ক্ষেত্ৰত ঐক্যমত গঠন কৰিবলৈ VLCC এ জল ব্যৱহাৰকাৰীৰ সংস্থাসমূহৰ সৈতে কাম কৰিব পাৰে ।
- এই ঐক্যমতৰ আধাৰতে উপলব্ধ সম্পদৰ পৰা পানী ব্যৱহাৰৰ পৰিকল্পনা প্ৰস্তুত কৰি উলিওৱা উচিত ।
- অন্ধ্ৰপ্ৰদেশৰ 'বেয়াৰফুট হাইড্ৰ'ল'জিষ্টচ' ( Barefoot Hydrologists ) হৈছে অংশীদাৰীত্বৰ ভিত্তিত জল ব্যৱস্থাপনাৰ এক উজ্বল উদাহৰণ ।

# ভূগৰ্ভস্থ পানীৰ ব্যৱস্থাপনা সম্পৰ্কে জানিবলগীয়া কথা

→ তলত উল্লেখ কৰা পদক্ষেপসমূহৰ জৰিয়তে কোনো সম্প্ৰদায়ে কাৰ্যদক্ষতা উন্নত কৰাত অৰিহণা যোগাব পাৰেঃ

- অপতৃণ আৰু গছ-গছনিৰ বৃদ্ধি পৰীক্ষা,
- খাল, নলা আদিৰ নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে গেদ দূৰীকৰণ,
- অত্যধিক জলসিঞ্চিন কাৰ্য নিয়ন্ত্ৰণ কৰাত কৰ্তৃপক্ষক সহায় কৰি,
- অংশীদাৰিত্বৰ ভিত্তিত জলসিঞ্চিন ব্যৱস্থাপনা কাৰ্য গ্ৰহণৰ দ্বাৰা কৃষকৰ মাজত সজাগতা সৃষ্টি কৰি ।

# খোৱা পানীৰ ব্যৱস্থাপনা সম্পৰ্কে জানিবলগীয়া কথা

→ তলৰ কথাবোৰ জানিবুজি লওক আৰু প্ৰশ্ন সোধকঃ

- ১০০ মিটাৰ ব্যাসাৰ্দ্ধৰ ভিতৰত দৈনিক জনমূৰি ৫৫ লিটাৰকৈ পানী পোৱাটোৱেই হৈছে বিশুদ্ধ খোৱাপানীৰ ক্ষেত্ৰত স্বীকৃত নিয়ম । এই নিয়ম অনুসৰি আপুনি পানী পাই আছেনে ?
- প্ৰতিঘৰে প্ৰতিদিনে ৩০ মিনিটকৈ কম সময়ৰ ভিতৰত ঘৰুৱা ব্যৱহাৰৰ বাবে পানী সংগ্ৰহ কৰিব পৰা হ'ব লাগে । আপোনাৰ গাঁৱৰ ক্ষেত্ৰত এনে হয়নে ?
- পানীযোগান আঁচিসমূহত এনে আঁচনিৰ পৰিকল্পনা স্তৰৰ পৰা আঁচনিখন সম্পূৰ্ণ হোৱাৰ পিছত সঞ্চালন আৰু চোৱা-চিতা কামটো উপভোক্তাসকলৰ অংশগ্ৰহণ দৰকাৰী । আপোনাৰ গাঁৱৰ পানীযোগান আঁচনিত ৰাইজ অংশগ্ৰহণৰ ব্যৱস্থা আছেনে ?
- MNREGS , TSC আদিৰ সৈতে লগলাগি বৰ্জিত পানীৰ ব্যৱস্থাপনা হাতত লোৱা উচিত । আপোনাৰ গাঁৱত বৰ্জিত পানীৰ ব্যৱস্থাপনাৰ কোনো আঁচনি গ্ৰহণ কৰা হৈছেনে ?

# জলসম্পদৰ ব্যৱস্থাপনা

- কৃষক আৰু জল ব্যৱহাৰকাৰীৰ বাবে এক সবল শিক্ষণ কাৰ্যসূচী দাবী কৰাৰ বাবে সম্প্ৰদায়ৰ/ জনসাধাৰণৰ সম্পূৰ্ণ অধিকাৰ আছে ।
- কৰ্তৃপক্ষক গাঁৱৰ বাবে জল বাজেট, পানী ব্যৱহাৰৰ পৰিকল্পনা আৰু জলসুৰক্ষা পৰিকল্পনা প্ৰস্তুত কৰিবলৈ দাবী জনোৱাৰ বাবে ৰাইজৰ সম্পূৰ্ণ অধিকাৰ আছে ।
- জলসম্পদৰ কাৰ্যকৰী ব্যৱস্থাপনাৰ বাবে অন্ধ্ৰপ্ৰদেশৰ 'Barefoot Hydrologists' ৰ আৰ্হিত জলদূত নামেৰে গ্ৰাম্যস্বেচ্ছাসেৱকৰ এটা দল গঠনৰ বাবে ৰাইজে দাবী কৰা উচিত ।
- আৰু ৰাইজে নিজ অঞ্চলৰ আৰ্দ্ৰভূমিৰ অভিভাৱকত্ব গ্ৰহণ কৰা উচিত ।

# আৰ্দ্ৰভূমিৰ সুৰক্ষা আৰু ব্যৱস্থাপনা

# আৰ্দ্ৰভূমিৰ অৰ্থ

- আৰ্দ্ৰভূমিবোৰ এনে এক গুৰুত্বপূৰ্ণ প্ৰাকৃতিক সম্পদ যিবোৰ সাময়িকভাৱে অথবা স্থায়ীভাৱে পানীৰে ঢাকখাই থকা ভূখণ্ডৰে গঠিত ।
- আৰ্দ্ৰভূমিয়ে অকল (ক)জান (খ)পুখুৰী আৰু (গ)জলাহ আদিয়েই সামৰি নলয় বৰং (ঘ)সিক্ত তৃণভূমি (ঙ)দলনি আৰু (চ)বছৰৰ সৰহভাগ সময় শুকাই থকা জান আদিও আৰ্দ্ৰভূমিৰ অন্তৰ্ভূক্ত ।
- আৰ্দ্ৰভূমিবোৰৰ আকাৰ, আকৃতি আৰু গভীৰতা বেলেগ বেলেগ হ'ব পাৰে আৰু স্থানীয়ভাৱে এইবোৰক বিল, হ্ৰদ, জলাহ, দলনি, হোলা, পিতনি আদি নামেৰে নামকৰণ কৰা হয় ।

# আৰ্দ্ৰভূমিৰ পাৰিপাৰ্শ্বিক গুৰুত্ব

*একাধিক কাৰণত আৰ্দ্ৰভূমিবোৰ অতি গুৰুত্বপূৰ্ণ । ইয়াৰে ভিতৰত প্ৰধান কাৰণবোৰ হৈছেঃ*

- ভূগৰ্ভ পানীৰে পূৰ্ণ কৰি ৰাখে ।
- মাটিৰ আৰ্দ্ৰতা ধৰি ৰাখে ।
- প্ৰদূষণ পৰিস্কাৰক হিচাপে কাম কৰে ।
- জৈৱ বৈচিত্ৰ্য ধৰি ৰখাত সহায় কৰে ।
- পানী সঞ্চয় আৰু পৰিস্কৰণত সহায় কৰে ।
- বানপানী নিয়ন্ত্ৰণত সহায় কৰে আৰু
- মাটিৰ পুষ্টি আৰু গেদ ধৰি ৰখাত সুৰক্ষা প্ৰদান কৰে ।

# আৰ্দ্ৰভূমিৰ অৰ্থনৈতিক আৰু সামাজিক মূল্য

- মীন সম্পদ
- জলসিঞ্চন
- ঘৰুৱা ব্যৱহাৰ
- গাধোৱা
- যথেষ্টসংখ্যক স্থানীয় পৰিয়ালক জীৱিকা প্ৰদান কৰে
- প্ৰাকৃতিক পৰিৱেশৰ সৌন্দৰ্য বৃদ্ধি কৰে
- বিলৰ সমীপত আমোদ-প্ৰমোদৰ স্থান আৰু
- পৰ্যটন

# আৰ্দ্ৰভূমিসমূহে সন্মুখীন হোৱা ভাবুকিবোৰ

- কৃষিকাৰ্য আৰু নগৰীকৰণৰ বাবে আৰ্দ্ৰভূমি আবাদীকৰণ ।
- মীন সম্পদৰ অতিমাত্ৰা ব্যৱহাৰ ।
- ঘৰুৱা আৰু ঔদ্যোগীক আবৰ্জনাৰ পৰা হোৱা প্ৰদূষণ ।
- কীটনাশক আৰু সাৰ মিহলি হৈ কৃষিজাত দ্ৰব্যৰ সৈতে পথাৰৰ পৰা বৈ যোৱা পানী ।
- খৰালী কালত হ্ৰদৰ পাৰত কৰা কৃষিকাৰ্যই জলজ উদ্ভিদৰ বৃহৎ অংশ নষ্ট কৰে আৰু
- পানী থকা অংশৰ আশে পাশে গছ কটাৰ ফলত ব্যাপক খহনীয়া হয় । ইয়াৰ ফলস্বৰূপে বিলত দ্ৰুতভাৱে পলস পৰে ।

# আৰ্দ্ৰভূমিৰ ৰক্ষণা-বেক্ষণৰ আৰু ব্যৱস্থাপনাৰ প্ৰয়োজনীয়তা

→ আৰ্দ্ৰভূমি নোহোৱা হোৱাৰ ফলস্বৰূপে

- পানীৰ গুণমান হ্ৰাস পায়
- মাছ আৰু বন্যপ্ৰাণীৰ সংখ্যা কমি যায়
- পানী ধৰি ৰখাৰ সামৰ্থ কমে, যাৰ বাবে বানপানী হয়
- বানপানীৰ আতিশয্য বাঢ়ে
- ভূমিৰ আৰ্দ্ৰতা আৰু গুণাগুণ হ্ৰাস

# আৰ্দ্ৰভূমিৰ সুৰক্ষাৰ উপায়

- ১) কৃষিকাৰ্য ২) গৃহনিৰ্মাণ আৰু ৩) উদ্যোগিক কাৰণত বিলৰ কোনো অংশকে যাতে আবাদ কৰিবলৈ দিয়া নহয় ।
- আৰ্দ্ৰভূমিৰ এলেকাৰ ভিতৰত বিপজ্জনক সামগ্ৰীৰ ১) প্ৰস্তুতকৰণ ২) ব্যৱহাৰ বা ৩) মজুতকৰণ বা ৪) নষ্ট কৰা বাৰণ কৰা উচিত ।
- গোটা আবৰ্জনা পেলোৱা নিষেধ কৰণ ।
- ঘৰুৱা আৰু উদ্যোগিক বৰ্জিত দ্ৰব্যৰ দ্বাৰা বিলবোৰ প্ৰদূষিত কৰাটো বন্ধ কৰা উচিত ।
- মীনসম্পদৰ বাবে বিলবোৰৰ ব্যৱস্থাপনা ।
- চিকাৰ আৰু চৰাই ধৰা কাৰ্য নিষেধ কৰণ আৰু
- আৰ্দ্ৰভূমিবোৰ পক্ষী অভয়াৰণ্য হিচাপে ঘোষণা কৰা ।

# আৰ্দ্ৰভূমিৰ সুৰক্ষাৰ উপায়

- বাফাৰ অঞ্চলৰ কেন্দ্ৰভাগ অটুত ৰখা (সাধাৰণ অৰ্থত বাফাৰ হৈছে এক প্ৰাকৃতিক বনাঞ্চলীয় অৱস্থাত অটুত ৰখা এক ওখ ভূখণ্ড, যিয়ে আৰ্দ্ৰভূমিক আৱৰি ৰাখে)
- আৰ্দ্ৰভূমিৰ চাৰিওফালে বনাঞ্চলীয় বাফাৰ অঞ্চল (অথবা গ্ৰীণবেল্ট) অটুত ৰখা ।
- মুকলি ঠাই হিচাপে ৰখা সংলগ্ন বাফাৰ অঞ্চল ।
- পশুখাদ্য সংগ্ৰহ আদি কাম-কাজৰ বাবে অনুমতি থকা বাফাৰ অঞ্চল ।

# আৰ্দ্ৰভূমিৰ সুৰক্ষা আৰু ব্যৱস্থাপনাত VLMCC ৰ ভূমিকা

| *নিৰ্দ্ধাৰিত কাম* | *বিস্তৃত কাৰ্যকলাপ* |
|---|---|
| *আৰ্দ্ৰভূমিৰ পূৰ্বৰ আৰু বৰ্তমানৰ অৱস্থা সম্পৰ্কে তথ্য সংগ্ৰহ* | ১) আৰ্দ্ৰভূমিৰ গুৰুত্ব, এইবোৰে সন্মুখীন হোৱা ভাবুকি আৰু আৰ্দ্ৰভূমি সংৰক্ষণৰ বাবে ল'ব লগীয়া ব্যৱস্থাৱলী সম্পৰ্কে জনসাধাৰণক অৱগত কৰণ ।<br>২) আৰ্দ্ৰভূমিলৈ আহি পৰা ভাবুকিৰ স্বৰূপ জানিবলৈ এনে ভূমিৰ প্ৰকৃত ধৰণ তথা পুৰণি ইতিহাস জনাৰ বাবে জ্যেষ্ঠ আৰু নেতৃস্থানীয় নাগৰিকৰ সৈতে বাৰ্তালাপ কৰা । |

# VLMCC আৰু ৰাইজৰ ভূমিকা

| *নিৰ্দ্ধাৰিত কাম* | *বিস্তৃত কাৰ্যকলাপ* |
|---|---|
| *VLMCC এ লব লগা পদক্ষেপ বোৰ* | *সজাগতা সৃষ্টিৰ কাৰ্যসূচী অনুষ্ঠিত কৰি-*<br>• বাফাৰ অঞ্চলৰ মূলভাগৰ চাৰিওপিনে বৃক্ষৰোপন ।<br>• বিশ্ব জল দিৱসত বিদ্যালয়ত তৰ্ক, পোষ্টাৰ প্ৰতিযোগিতা আয়োজন কৰা ।<br>• বেদখলৰ বিৰুদ্ধে জনমত সৃষ্টি ।<br>• গোটা আবৰ্জনা পেলোৱা কাৰ্যৰ বিৰুদ্ধে শান্তিপূৰ্ণ সমদল/প্ৰতিবাদী কাৰ্যসূচীৰ আয়োজন ।<br>• মুকলি পথাৰ বা তৃণভূমিত ৰাসায়নিক আৰু কীটনাশক দ্ৰব্য ব্যৱহাৰৰ অপকাৰী প্ৰভাৱ সম্পৰ্কে ওচৰৰ লোকক সজাগ কৰণ ।<br>• আৰ্দ্ৰভূমিৰ অনিষ্টকাৰী অপতৃণ পৰিস্কাৰ কৰিবলৈ ৰাজহুৱা কাৰ্যসূচীৰ আয়োজন ।<br>• আৰ্দ্ৰভূমিৰ আশে-পাশে প্লাষ্টিকৰ ব্যৱহাৰ নিষিদ্ধকৰণ । |

# মুকলি ঠাই আৰু ৰাজহুৱা ভূমিৰ সুৰক্ষা

- মুকলি ঠাইৰ অৰ্থ হৈছে ৰাইজে ব্যৱহাৰ কৰিব পৰা বিভিন্ন ধৰণৰ ভূমি । ইয়াৰ ভিতৰত তৃণভূমি, চৰণীয়া পথাৰ, উদ্যান, খেলপথাৰ আদি অন্তৰ্ভূক্ত কৰিব পাৰি ।
- মুকলি ঠাই এইবাবেই গুৰুত্বপূৰ্ণ কাৰণ মানব সমাজৰ বাসিন্দা হিচাপে আমাৰ এনে কিছুমান উমৈহতীয়া প্ৰয়োজন থাকে যিবোৰ এই পৃথিৱীৰ এনে কিছু অংশেৰেহে পূৰণ কৰিব পাৰি যিবোৰ উমৈহতীয়া ব্যৱহাৰৰ বাবে ৰখা হয় ।
- যিবোৰ ঠাই আমি অন্যান্য জীৱিত প্ৰজাতি, উদ্ভিদ, জীৱ-জন্তু, পক্ষী, ক্ষুদ্ৰাণু আদিৰ সৈতে একেলগে ব্যৱহাৰ কৰো সেইবোৰো মুকলি ঠাই হিচাপে ধৰা হয় ।
- আৰু তাতকৈও গুৰুত্বপূৰ্ণ কথা এয়ে যে এই ঠাইসমূহ হৈছে- প্ৰকৃতিৰ প্ৰতি আমাৰ কৃতজ্ঞতা প্ৰকাশ কৰাৰ উৎকৃষ্ট মাধ্যম ।

# মুকলি ঠাইৰ প্ৰয়োজনীয়তা

- মুকলি ঠাইৰ সৌন্দৰ্যাত্মক, অবসৰ বিনোদন, পাৰিপাৰ্শ্বিক, স্বাস্থ্য, অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক লাভালাভ থাকে ।
- মুকলি ঠাইয়ে প্ৰাকৃতিক দৃশ্যলৈ ইমানেই সৌন্দৰ্য আনি দিয়ে যে পৰীক্ষালব্ধ তথ্য অনুসৰি যিবোৰ সম্পত্তিৰ ওচৰে-পাজৰে মুকলি ঠাই থাকে তেনে সম্পত্তিৰ দাম বেছি হয় ।
- জনবসতিপূৰ্ণ অঞ্চলৰ পৰা আঁতৰি প্ৰকৃতিৰ মাজলৈ গৈ সময় কটাবলৈ মানুহে ভাল পায় ।
- প্ৰকৃতিৰ সান্নিধ্যই মগজুক অতিমাত্ৰা ক্ৰিয়াৰ পৰা আংশিক বিৰতি প্ৰদান কৰি মনঃসংযোগ ঘূৰাই অনাত ইতিবাচক অৰিহণা যোগায় ।
- মুকলি ঠাইয়ে ইতিবাচক দৃষ্টিভংগী আনে আৰু খোজকঢ়া, জগিং, খেলা-ধূলা, শাৰীৰিক ব্যায়াম আদিৰ দৰে স্বাস্থ্যকৰ অভ্যাস গঢ়াতো অৰিহণা যোগায় ।

# মুকলি ঠাইৰ প্ৰয়োজনীয়তা

* গৱেষণালব্ধ তথ্য অনুসৰি সেউজ পৰিবেশৰ সান্নিধ্যই মানসিক স্বাস্থ্য অটুত ৰখা তথা মনস্তাত্বিক স্বস্থতা বৰ্তাই ৰখাত প্ৰভূত অৰিহণা যোগায় ।
* যথেষ্ট পৰিমাণৰ মুকলি ঠাইত বসবাস কৰা লোকৰ মূৰৰ বিষ, মানসিক চাপ, উৎকণ্ঠা, ৰক্ত সঞ্চালনৰ সমস্যা আদিৰ দৰে স্বাস্থ্যজনিত সমস্যাবোৰ কমকৈ হোৱা দেখা যায় ।
* মুকলি ঠাইয়ে সমুদায়ৰ মাজত সামাজিক সম্পৰ্ক স্থাপন আৰু সামাজিক ঐক্য বৃদ্ধিত অৰিহণা যোগায় ।
* খেলাধূলা কৰাৰ প্ৰাকৃতিক পৰিবেশ হিচাপে মুকলি ঠাইয়ে শিশুসকলৰ সৃষ্টিশীলতা, মনঃসংযোগ আৰু আত্মবিশ্বাস বৃদ্ধি কৰে ।
* জীৱ বিচিত্ৰতাৰ পৃষ্ঠপোষকতা তথা জীৱজগতৰ বিভিন্ন প্ৰজাতিক পাৰিপাৰ্শ্বিক আশ্ৰয় প্ৰদানেৰে মুকলি ঠাইসমূহে প্ৰকৃতিৰ দ্বীপৰ দৰে কাম কৰে ।

## প্ৰাকৃতিক সেউজ আৱৰণক আমি কিয় সুৰক্ষা প্ৰদান কৰিব লাগে

* গছে অক্সিজেন প্ৰদান, বায়ুৰ গুণমান উন্নীতকৰণ, জলবায়ুৰ উন্নয়ন, জল সংৰক্ষণ, ভূমি সংৰক্ষণ তথা বন্যপ্ৰাণীক আশ্ৰয় দান কৰি পৰিবেশলৈ বৰঙনি আগবঢ়ায় ।
* এক একৰ মাটিৰ অৰণ্যই ছয় টন কাৰ্বন-ডাই-অক্সাইড শোষণ কৰে আৰু চাৰি টন অক্সিজেন এৰি দিয়ে । ১৮ জন মানুহৰ অক্সিজেনৰ বছৰেকীয়া প্ৰয়োজনীয়তা পূৰণৰ বাবে এয়া যথেষ্ট ।
* গছ-গছনি আৰু জোপোহাই ধূলিকণা আঁতৰ কৰাৰ লগতে কাৰ্বন-ডাই-অক্সাইড, ছালফাৰ-ডাই-অক্সাইড তথা নাইট্ৰ'জেন-ডাই-অক্সাইডৰ দৰে আন আন প্ৰদূষক শোষণ কৰি বায়ু পৰিস্কাৰ কৰে ।
* সূৰ্য, বৰষুণ আৰু বতাহৰ তীব্ৰতা হ্ৰাস কৰি গছে জলবায়ু নিয়ন্ত্ৰণ কৰে ।
* পাতে সূৰ্যৰ বিকিৰিত শক্তি শোষণ আৰু পৰিস্ৰুত কৰি গ্ৰীষ্মকালত চৌপাশ শীতল কৰি ৰাখে ।

* প্ৰৱল বতাহৰ বিৰুদ্ধে আচ্ছাদন হিচাপে কাম কৰি গছে এনে বতাহ সহনীয় কৰে ।
* বতাহৰ বেগ আৰু গতিপথ প্ৰভাৱিত কৰাৰ উপৰিও গছে আমাক বৰষুণ, হিমপাত আৰু শিলাবৃষ্টিত আচ্ছাদন প্ৰদান কৰে ।
* গছে বায়ুমণ্ডলৰ তাপমাত্ৰাও হ্ৰাস কৰে আৰু কাৰ্বন-ডাই-অক্সাইডৰ স্তৰ তললৈ ৰাখি সেউজ গৃহ প্ৰভাৱ (Greenhouse effect)ৰ ফলত সৃষ্ট উষ্ণতাৰ প্ৰাৱল্য কমায় ।
* ভূ-পৃষ্ঠৰ বহু তললৈ সোমাই যোৱা শিপাই মাটিক যথাস্থানত ধৰি ৰখাৰ লগতে খহনীয়া ৰোধ কৰে ।
* গছে বৰষুণৰ পানী শোষণ আৰু সঞ্চয় কৰে । ইয়াৰ ফলত প্ৰৱল বৰষুণৰ পিছত পানীৰ অযথা প্ৰবাহ আৰু গেদ জমা হোৱাটো হ্ৰাস হয় । ইয়ে ভূ-গৰ্ভস্থ পানীৰ পৰিমাণ বৃদ্ধি কৰে, ৰাসায়নিক দ্ৰব্য জান-জুৰিলৈ বিয়পি যোৱাত বাধা দিয়ে আৰু বানপানী ৰোধ কৰে ।
* সৰি পৰা পাতৰ পৰা উৎকৃষ্ট সাৰ হয় আৰু এই সাৰে মাটিৰ গুণাগুণ বঢ়ায় ।

* শতাধিক প্ৰাণীৰ বাবে গছ হৈছে আবাসস্থল । গছে চৰাই আৰু কেৰ্কেটুৱাৰ দৰে বহু জীৱ-জন্তুক পৰভক্ষী (Predator)ৰ পৰা ৰক্ষা কৰে ।
* গছে আমাক গৃহ নিৰ্মাণ, আচ-বাব প্ৰস্তুত, সঁজুলি, খেলৰ সা-সামগ্ৰী তথা ঘৰত ব্যৱহৃত অসংখ্য বয়-বস্তু নিৰ্মাণৰ বাবে কাঠ প্ৰদান কৰে ।
* কাগজ তৈয়াৰ কৰাৰ বাবে গছ ব্যৱহাৰ কৰা হয় ।
* ঔষধ আৰু ৰাসায়নিক দ্ৰব্য প্ৰস্তুতৰ ক্ষেত্ৰত গছ হৈছে কেঁচা সামগ্ৰীৰ গুৰুত্বপূৰ্ণ উৎস ।

# চৰণীয়া পথাৰক আমি কিয় সুৰক্ষা দিব লাগে

→ এই প্ৰশ্নবোৰ আপুনি প্ৰকৃততে গুৰুত্ব সহকাৰে ভাবি চাইছেনেঃ

- গাঁৱত কাৰ সংখ্যা বেছি – মানুহৰ নে গৰু-ম'হৰ?
- গৰু-ম'হৰ খাদ্যৰ বাবে কিমান ভূমি আচুতীয়াকৈ ৰখা হৈছে?
- গৰু-ম'হৰ খাদ্যৰ মান সম্পৰ্কে আমি কি জানো?
- গৰু-ম'হৰ বাবে বজাৰৰ পৰা উত্তম পশুখাদ্য ক্ৰয় কৰিবলৈ আমাৰ মাজৰ কিমানৰ আৰ্থিক ক্ষমতা আছে?
- চৰণীয়া পথাৰসমূহ এলেকা হ্ৰাস অথবা নাইকীয়া হৈ যোৱাৰ পৰা সুৰক্ষা প্ৰদান কৰি নাইবা তেনে ভূমিক পশুখাদ্যৰ এক উত্তম উৎস হিচাপে উন্নত কৰাৰ দৰে পদক্ষেপ আমি গ্ৰহণ কৰিছোনে?

# আমি জানিবলগীয়া কথাবোৰ

- *পশুধনৰ দুটা বৃহৎ ভাগ আছেঃ* (১) নিৰ্দিষ্ট ঠাইত দানা দিয়া গৰু-ম'হৰ ভিত্তিত আৰু (২) মুক্ত চৰণীয়া পথাৰত চৰা গৰু-ম'হৰ ভিত্তিত
- প্ৰথমভাগ পশুধন পোহা লোকসকলৰো চৰণীয়া পথাৰৰ ঘাঁহৰ প্ৰয়োজন হয়, কিন্তু দ্বিতীয়ভাগ পশুধন সম্বলহীন পৰিয়ালেহে পোহে ।
- প্ৰাপ্ত তথ্য অনুসৰি সম্প্ৰতি দেশত পশুখাদ্যৰ উপলব্ধতা চাহিদাতকৈ যথেষ্ট কম ।
- তথ্যত এয়াও প্ৰকাশ পাইছে যে বছৰি প্ৰয়োজন হোৱা পশুখাদ্যৰ মাত্ৰ আধাহে পশুখাদ্যৰ খেতি আৰু খাদ্যশস্যৰ অৱশিষ্টৰ জৰিয়তে পূৰণ হয়, ইয়াৰ বিপৰীতে পশুখাদ্যৰ অৱশিষ্ট চাহিদা অৰণ্য, তৃণভূমি,ৰাজহুৱা ভূমি আদিৰ দৰে ৰাজহুৱা সম্পদৰ পৰা পোৱা খাদ্যৰে পূৰণ হয় ।
- হিচাপ অনুসৰি, দেশৰ তৃণভূমিৰ পৰিমাণ ১৯৪৭ চনৰ ৭০ নিযুত হেক্টৰৰ পৰা ১৯৯৭ চনত মাত্ৰ ৩৮ নিযুত হেক্টৰলৈ হ্ৰাস পাইছে ।
- অৱশিষ্ট চৰণীয়া পথাৰসমূহতো ইতিমধ্যে হয় হ্ৰাস পাইছে নতুবা হ্ৰাস পোৱাৰ পথত ।

# আমি জানিবলগীয়া কথাবোৰ

- গৰু-ম'হৰ উপযুক্তধৰণে প্ৰতিপালনত সহায়কৰা এসময়ৰ কঠোৰ নীতি-নিয়মসমৃদ্ধ গাওঁ পৰ্যায়ৰ পৰম্পৰাগত অনুষ্ঠানবোৰ এতিয়া নাই আৰু এই পশুধনৰ প্ৰতিপালনৰ বিষয়টো চোৱা-চিতা কৰাৰ বাবে অন্য কোনো অনুষ্ঠানো নাই ।
- বৰ্ষাকালত অতিৰিক্ত পশুখাদ্য চোৱা-মেলা কৰা আৰু মজুত ৰাখিবলৈ পশুখাদ্যৰ ভঁৰাল আৰু মূল্য সংযোজনৰ ব্যৱস্থাসমূহৰ অভাৱ ।
- কমখাদ্য খুওৱাৰ বাবেই আমাৰ পশুধনৰ উৎপাদনশীলতা কম ।
- ৫০ শতাংশতকৈও বেছি গৰু-ম'হে প্ৰয়োজন হোৱা খাদ্যৰ আধাত কৈয়ো কম খাবলৈ পায় ।

## মুকলি ঠাই আৰু চৰণীয়া পথাৰ (ভি.জি.আৰ.(VGR) তথা পি.জি.আৰ.(PGR)) সমূহক সুৰক্ষা দিও আহক ——

* গছ-গছনিৰে বেৰ আৰু আবৰণ, খাল খন্দা আদিৰ জৰিয়তে চাৰিসীমা চিহ্নিত কৰি সেইবোৰক বিতংভাৱে জৰীপ কৰক আৰু সুৰক্ষা দিয়ক ।

* সহজে গজিব পৰা পশুখাদ্য আৰু ঘাঁহৰ প্ৰজাতিৰ বিষয়ে অধ্যয়ন কৰক আৰু ঘাঁহনিৰ উন্নতিসাধনৰ কাম হাতত লওঁক ।

* শীতকালত পশুখাদ্য প্ৰয়োজন পূৰণৰ অৰ্থে কৃষিভূমিত থকা ওখ আলিত পশুৰে খাদ্য হিচাপে খোৱা গছ/বাঁহ/ঘাঁহ ৰোপণৰ পৰম্পৰাগত ব্যৱস্থাটোক পুনৰউজ্জীৱিত কৰক । ইয়ে চৰণীয়া পথাৰৰ ওপৰত পৰা হেঁচা কমোৱাৰ লগতে গৰু-ম'হক খুৱাবলৈ পাতজাতীয় খাদ্য প্ৰদান কৰিব ।

* ৰাজ্যখনত থকা নাৰ্ছাৰীসমূহৰ মাজত যোগসূত্ৰ স্থাপন কৰক ।

* পশুখাদ্যৰ অভাৱ হোৱা সময়ছোৱাত চাহিদা পূৰণৰ বাবে পশুখাদ্য মজুত ৰখা ভঁৰাল স্থাপন কৰক ।

* ৰাইজ বা সমাজৰ সামৰ্থ বৃদ্ধি কৰক যাতে তেওঁলোকে বুদ্ধিদীপ্ত সিদ্ধান্ত ল'ব পাৰে আৰু সেইবোৰ ভালদৰে চম্ভালিব পাৰে ।

## মুকলি ঠাই আৰু চৰণীয়া পথাৰ (ভি.জি.আৰ.(VGR) তথা পি.জি.আৰ.(PGR)) সমূহক সুৰক্ষা দিও আহক ——

- ন্যস্তস্বাৰ্থ জড়িত পদক্ষেপক প্ৰতিৰোধ কৰিবলৈ চিপ্‌কো আন্দোলনৰ দৰে শান্তিপূৰ্ণ প্ৰতিবাদৰ বাবে গাওঁবাসীক সংগঠিত কৰক ।
- বেদখলৰ তথ্য যিমান পাৰি সোনকালে চক্ৰবিষয়াক অৱগত কৰক আৰু ইয়াৰ বাবে ১২ ঘণ্টাতকৈ অধিৰ সময় নল'ব । অনতিপলমে বেদখল মুক্ত কৰিবলৈ চক্ৰবিষয়া দায়বদ্ধ ।
- চৰণীয়া পথাৰ (VGR/PGR)ৰ বেদখল বা অন্যান্য কাৰণত ব্যৱহাৰ মাননীয় উচ্চতম ন্যায়ালয়ে বাৰণ কৰি থৈছে । কোনো বিশেষ কাৰণতহে চক্ৰবিষয়াই কেৱল আপোনালোকৰ অনুমোদন সাপেক্ষে এনে চৰণীয়া পথাৰ সংৰক্ষণৰ পৰা মুক্ত কৰাৰ প্ৰস্তাৱ প্ৰেৰণ কৰিব পাৰে ।
- মুকলি ঠাইৰ নক্সা, চাৰিসীমা চিনাক্তকৰণ তথা বেৰ দিয়া কামত যিমান সম্ভৱ কাৰ্যকৰী ধৰণে সহায়ৰ হাত আগবঢ়াওক ।

## মুকলি ঠাই আৰু চৰণীয়া পথাৰ (ভি.জি.আৰ.(VGR) তথা পি.জি.আৰ.(PGR)) সমূহক সুৰক্ষা দিও আহক ——

- উন্নত ঘাঁহনি হিচাপে ভিজিআৰ/পিজিআৰ সমূহ গঢ়ি তুলিবলৈ পশুখাদ্য আৰু ঘাঁহৰ কোনবোৰ প্ৰজাতি ৰোপন কৰিব পৰা যাব সেই সম্পৰ্কে গাওঁবাসীৰ সৈতে আলোচনা কৰক আৰু আপোনাৰ অনুমোদন চক্ৰবিষয়া তথা পশুপালন আৰু পশুচিকিৎসা বিভাগৰ বিষয়াক অৱগত কৰক ।
- ভিজিআৰ/পিজিআৰ সমূহৰ চাৰিওফালে আৰু ওখ আলি তথা পথাৰৰ সীমাত কৃষি-বনভূমি গঢ়ি তুলিবলৈ উদ্ভিদৰ কোনবোৰ প্ৰজাতি ৰোপন কৰিব পৰা যায় সেই সম্পৰ্কে কৃষি আৰু বনবিভাগৰ বিষয়াৰ সৈতে আলোচনা কৰক ।
- সৰ্বাধিক সদ্ব্যৱহাৰ নিশ্চিত কৰিবলৈ ভিজিআৰ/পিজিআৰ সমূহত গৰু-ম'হক ঘাঁহ খুওৱা পদ্ধতি শৃংখলাবদ্ধ কৰা সন্দৰ্ভত ঐক্যমত গঢ়ি তোলক ।
- পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ বিষয়া আৰু গাওঁ পঞ্চায়তৰ প্ৰতিনিধিৰ সৈতে গাঁৱত খেলপথাৰ, উদ্যান আদিৰ উন্নয়ন সন্দৰ্ভত আলোচনা কৰক ।

# আমাৰ মাটি আৰু বায়ুৰ সুৰক্ষা

# ভূমি সুৰক্ষাৰ বাবে কৰণীয়

- ৰাসায়নিক দ্ৰব্য (সাৰ আৰু কীটনাশক)ৰ অত্যধিক ব্যৱহাৰ মাটিৰ গুণাগুণ আৰু পৰিৱেশৰ বাবে হিতকৰ নহয় ।
- ***সেইবোৰ বিভিন্ন ধৰণে ক্ষতিকাৰকঃ***
    - ৯৮% ত কৈও অধিক কীটনাশক আৰু ৯৫% ত কৈও অধিক বননাশকে ধ্বংস কৰিব লগা নিৰ্দিষ্ট প্ৰজাতিৰ উপৰিও অন্য ঠাইলৈ বিয়পে, কিয়নো এইবোৰ সমগ্ৰ কৃষি পথাৰত স্প্ৰে কৰা নতুবা চতিয়াই দিয়া হয় ।
    - কীটনাশকে বায়ুপ্ৰদূষণত অৰিহণা যোগায় ।
    - ট্ৰপ'স্ফিয়াৰৰ মুঠ অ'জন স্তৰৰ ক্ষেত্ৰত কীটনাশক দ্ৰব্যৰ বৰঙণি হৈছে প্ৰায় ৬শতাংশ ।
    - কীটনাশকে কিছুমান জীৱ-জন্তুৰ খাদ্যৰ প্ৰয়োজনীয় উৎসকেই নাইকীয়া কৰি পেলাব পাৰে যাৰ বাবে তেনে জীৱ-জন্তুক অন্য ঠাইলৈ স্থানান্তৰ কৰিব লগা হয়, সিহঁতৰ খাদ্যাভ্যাস সলনি কৰিব লগা হয় নতুবা অনাহাৰে থাকিব লগা হয় ।

# ভূমি সুৰক্ষাৰ বাবে কৰণীয়

- কীটনাশকত ব্যৱহৃত বহুকেইবিধ ৰাসায়নিক দ্ৰব্যই ভূমি দীঘলীয়াসময়ৰ বাবে প্ৰদূষিত কৰে, যাৰ প্ৰভাৱ কেবাদশকলৈ থাকিব পাৰে আৰু এনে ৰাসায়নিক দ্ৰব্যই ভূমি সংৰক্ষণত বিৰূপ প্ৰভাৱ পেলায় ।
- কীটনাশকৰ ব্যৱহাৰে মাটিৰ সাধাৰণ জীৱ বিচিত্ৰতা হ্ৰাস কৰে ।
- কেঁচুৰ বৃদ্ধি আৰু প্ৰজননৰ ওপৰত কীটনাশকে ক্ষতিকাৰক প্ৰভাৱ পেলায় ।
- দীৰ্ঘদিনধৰি ভক্ষণৰ ফলস্বৰূপে কিছুমান কীটনাশকে জীৱদেহত সোমাই পৰে বা দেহত বিষাক্ত দ্ৰব্যৰ স্তৰ বৃদ্ধি কৰে ।
- নৈ বা জান আদিলৈ বৈ যোৱা কীটনাশক জলজ জীৱৰ বাবে অতি ঘাতক হৈ পৰিব পাৰে, কেতিয়াবা এনে ঘটনাই কোনো অঞ্চলৰ জানৰ সমূদায় মাছ মাৰি পেলায় ।

# ভূমি সুৰক্ষাৰ বাবে কৰণীয়

- মানৱ দেহৰ বহুকেইবিধ স্বাস্থ্যজনিত সমস্যাৰ সৈতে কীটনাশকৰ সম্পৰ্ক আছে । ইয়াৰ ভিতৰত হ্রস্বকালীন কু-প্রভাৱ কিছুমান হৈছে মূৰৰ বিষ তথা বমি বমি ভাৱ আৰু দীৰ্ঘস্থায়ী কু-প্রভাৱ হৈছে কৰ্কট ৰোগ, প্ৰজনন ক্ষমতাত ক্ষতি সাধন আৰু হৰমন বিসংগতি আদি ।
- কীটনাশকে মানুহক বিভিন্ন ধৰণৰ কৰ্কট ৰোগত আক্ৰান্ত কৰিব পাৰে । এইবোৰৰ ভিতৰত লিউকেমীয়া, মগজু, হাড়, স্তন, অণ্ডাশয়, মূত্রাশয়, টেচটিকুলাৰ আৰু যকৃৎৰ কৰ্কট ৰোগ আদি প্ৰধান ।

# ভূমি সুৰক্ষাৰ বাবে কৰণীয়

- জৈৱিক অৱশিষ্ট আৰু সা-সামগ্ৰীৰ জৰিয়তে ভূমিৰ গুণমান পুণৰ উজ্জীৱিত কৰাটো প্ৰয়োজনীয় ।
- পচনসাৰ, কেচুসাৰ, গোবৰসাৰ আদিৰ দৰে বিভিন্ন জৈৱিক পদ্ধতিৰ জৰিয়তে মাটিক পৰিপুষ্টি প্ৰদান কৰা উচিত ।
- সংৰক্ষণ কৃষি পদ্ধতি (Conservation farming-জৈৱ আৱৰ্জনা, জাবৰ-জোঁথৰ আদিৰে মাটিৰ পৃষ্ঠভাগ ঢাকি ৰাখি ভূমিক্ষয় ৰোধ আৰু পানীৰ অপচয় হ্ৰাস, যথাসম্ভৱ কমকৈ চহ কৰা বা চহ নকৰাকৈয়ে মাটিত পোনপোটীয়াকৈ পুলি ৰোপন আদি ব্যৱস্থাৰে কৰা কৃষিকৰ্ম) সম্পৰ্কে কৃষকক সজাগ কৰিব লাগে । গোবৰৰ নাটনিৰ পৰিপ্ৰেক্ষিতত হোৱা অসুবিধা দূৰ কৰিবলৈ সাৰ প্ৰস্তুতৰ বাবে গোবৰৰ সৈতে অধিক বায়'মাচ (Biomass) ব্যৱহাৰেৰে সাৰ প্ৰস্তুত পদ্ধতি অৱলম্বন কৰিব লাগে ।
- ৰাজহুৱা আৰু ব্যক্তিগত ভূমিত গছ-গছনি ৰোপনৰ উপৰি জান-জুৰিৰ পাৰ, পথৰ দাঁতি, পথাৰৰ ওখ আলি আদিৰ দৰে বিভিন্ন ঠাইত বহুমুখী বায়'মাচ ব্যৱহাৰ প্ৰৱল কৰা উচিত ।

# ভূমি সুৰক্ষাৰ বাবে কৰণীয়

→ ***জৈৱিক কৃষি (Organic Farming)ক পৃষ্ঠপোষকতা দিয়ক। ইয়াৰ ভিতৰত আছেঃ***

- ক্ষতিকাৰক কীট নিয়ন্ত্ৰণ কৰিবলৈ উপকাৰী পৰভক্ষী পোক-পতংগ বৃদ্ধিত সুবিধা প্ৰদান ।
- উপকাৰী অনুজীৱ বৃদ্ধিত সুবিধা প্ৰদান ।
- ক্ষতিকাৰক কীটৰ প্ৰজনন-চক্ৰ ব্যাহত কৰিবলৈ শস্য উৎপাদন কাৰ্য বছৰি বছৰি বিভিন্ন স্থানলৈ স্থানান্তৰ কৰণ ।
- ক্ষতিকাৰক কীটক বাধা দিয়া বা খেদি পঠিওৱাত সহায়কাৰী শস্য আৰু কীট নিবাৰক গছ-গছনি ৰোপন ।
- ক্ষতিকাৰক কীটৰ প্ৰব্ৰজনৰ কালত সুৰক্ষাৰ বাবে শস্যৰ ওপৰত শাৰী শাৰী ঢাকনিৰ ব্যৱহাৰ ।
- জৈৱিক কীটনাশক আৰু বননাশক দ্ৰব্য ব্যৱহাৰ
- কায়িক অৱৰোধৰ যেনে শাৰী শাৰী ঢাকনি বা আচ্ছাদন আদিৰ ব্যৱহাৰ ।

# আমাৰ বায়ু কিদৰে প্ৰদূষিত হয়

⟶ *জীৱাশ্ম ইন্ধন জ্বলনঃ*

- কয়লা, পেট্ৰ'লিয়ামৰ দৰে জীৱাশ্ম ইন্ধন আৰু অন্যান্য কাৰখানাত জ্বলোৱা ইন্ধনৰ পৰা নিৰ্গত ছালফাৰ ডাই অক্সাইড হৈছে বায়ু প্ৰদূষণৰ এটা প্ৰধান কাৰণ ।
- ট্ৰাক, জীপ, মটৰ গাড়ী, ৰে'ল, বিমান আদিকে ধৰি যান-বাহন সমূহৰ পৰা নিৰ্গত প্ৰদূষণে ব্যাপক বায়ু প্ৰদূষিত কৰে ।
- ক্ৰটিপূৰ্ণ আৰু অসম্পূৰ্ণ দহনে কাৰ্বন মন'ক্সাইড উৎপন্ন কৰে আৰু সাধাৰণতে যান বাহনৰ দ্বাৰা নিৰ্গত এই গেছ নাইট্ৰ'জেন ডাই অক্সাইডৰ সৈতে আন এক প্ৰধান প্ৰদূষক ।

# আমাৰ বায়ু কিদৰে প্ৰদূষিত হয়

⟶ ***কৃষিভিত্তিক কাম কাজঃ***

- এম'নিয়া হৈছে কৃষি সম্বন্ধীয় কাম কাজৰ পৰা উৎপন্ন এবিধ সুলভ উপজাত দ্ৰব্য আৰু বায়ুমণ্ডলৰ অন্যতম বিপজ্জনক গেছ ।
- কৃষিকৰ্মত কীটনাশক আৰু সাৰৰ ব্যৱহাৰ যথেষ্ট বৃদ্ধি পাইছে । এইবোৰে বায়ুমণ্ডলত ক্ষতিকাৰক ৰসায়ন নিৰ্গত কৰাৰ লগতে পানীও প্ৰদূষিত কৰিব পাৰে ।

⟶ ***কাৰখানা আৰু উদ্যোগৰ পৰা হোৱা নিৰ্গমনঃ***

- নিৰ্মাণ উদ্যোগ সমূহে বায়ুমণ্ডলত বৃহৎ পৰিমাণে কাৰ্বন মন'ক্সাইড, হাইড্ৰ'কাৰ্বন, জৈৱিকযৌগ আৰু ৰাসায়নিক দ্ৰব্য এৰি দিয়ে, যাৰ ফলত বায়ুৰ মান নষ্ট হয় ।
- পেট্ৰ'লিয়াম শোধনাগাৰ বোৰেও বায়ু প্ৰদূষিত কৰা হাইড্ৰ'কাৰ্বন তথা বিভিন্ন ৰাসায়িনক দ্ৰব্য নিৰ্গত কৰে আৰু ভূমি প্ৰদূষণো কৰে ।

⟶ ***খনন কাৰ্যঃ***

- এই কাৰ্যত ধূলি আৰু ৰাসায়নিক দ্ৰব্য বায়ুত মিহলি হৈ ব্যাপক বায়ু প্ৰদূষণ ঘটায় ।

# আমি কি কৰিব পাৰো

- শক্তি ৰাহিকাৰক উপকৰণৰ ব্যৱহাৰঃ চি এফ এল আৰু এল্. ই. ডি. লাইটে কম বিদ্যুৎ খৰচ কৰে
- হ্ৰাস, পুনৰব্যৱহাৰ আৰু পুনৰ আবৰ্তকৰণ ধাৰণাটো বুজি লওঁক আৰু প্ৰৱৰ্তন কৰক । ব্যৱহাৰত নলগা বস্তু পেলাই নিদিব । ইয়াৰ পৰিৱৰ্তে সেইবোৰক অন্য কোনো উদ্দেশ্যত পুনৰব্যৱহাৰ কৰক ।
- ৰাসায়নিক সাৰ আৰু কীটনাশকৰ ব্যৱহাৰ হ্ৰাস কৰক ।
- ৰন্ধন কৰ্মত ইন্ধন হিচাপে বায়মাচক ব্যৱহাৰ কৰাৰ পৰা বিৰত থাকক ।
- গছ-গছনি ৰোপন কৰক কিয়নো গছে অক্সিজেন প্ৰদান কৰে আৰু বায়ুমণ্ডলত ক্ষতিকাৰক কণা বিয়পি পৰাত বাধা দিয়ে ।

* বিশ্ব স্বাস্থ্য সংস্থাৰ মতে বিশ্বত যান বাহনৰ দূৰ্ঘটনাৰ বাবে যিমান লোকৰ মৃত্যু হয় বায়ুপ্ৰদূষণৰ বাবেও সিমান লোকৰ মৃত্যু হয় ।
* অ'জনস্তৰ হ্ৰাস, গোলকীয় উষ্ণতা বৃদ্ধি আৰু জলবায়ু পৰিৱৰ্তনৰ ই অন্যতম কাৰণ ।
* আমি আলোচনা কৰা ধৰণে কেইটামান সাধাৰণ পদক্ষেপেই বায়ুৰ মান উন্নত কৰাত প্ৰভূত অৰিহণা যোগাব পাৰে ।

ধন্যবাদ